# অন্বেষণ

দশম বছৰ ■ তৃতীয় সংখ্যা ■ এপ্ৰিল, ২০২৩






ব'হাগে বতৰ
কি জানে



## অস্কাৰ বঁটা, ২০২৩




## বিষাক্ত বাগিচা

## মিছা কথাৰ ঠেং চুটি



আমেৰিকা যুক্তৰাজ্য আৰু মেক্সিক'ৰ মাজৰ দেৱাল



আকুপাংচাৰ



বিহুৱা

# অন্বেষণ


## দশম বছৰ, তৃতীয় সংখ্যা, এপ্ৰিল, ২০২৩ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **ব'হাগে বতৰ কি জানে**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **মনন**
■ উপাসনা শৰ্মা

১০ **বিজ্ঞান মাধুৰী**
■ তৃষ্ণা শৰ্মা

১২ **গোলাপ**
■ ড্ৰিমী পৰাশৰ

১২ **প্ৰাৰ্থনা**
■ নম্ৰতা কাশ্যপ

১২ **ফাগুন**
■ শ্যামন্তিকা মজুমদাৰ

১২ **মোৰ জিমি**
■ সংস্কৃতা দত্ত

১৩ **লতা মংগেশকাৰ**
■ ধ্ৰুৱজ্যোতি নাথ

১৫ **পৰিবৰ্তন**
■ ৰক্তিম তহবিলদাৰ

১৬ **মালিতা**
■ অপৰাজিতা বৰা

১৮ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৪ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৬ **আমেৰিকা-মেক্সিকোৰ মাজৰ দেৱাল : প্ৰকৃতিলৈ ভাবুকি**
■ চন্দনা মেধি

২৭ **আকুপাংচাৰ**
■ নৱনীতা কলিতা

২৯ **হৰিনাৰায়ণ দত্তবৰুৱা**
■ হিমাদ্ৰী বৰা

৩০ **বিষাক্ত বাগিচা**
■ জুৰি গোস্বামী

৩২ **Stories from World Classics**
■ Jyotirekha Kalita

৩৩ **Did You Know**
■ Bhaktimala Saikia

৩৪ **উচ্চতৰ মাধ্যমিকৰ পাছত কেৰিয়াৰ নিৰ্বাচন**
■ অৰূপ কুমাৰ ডেকা

৩৬ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৭ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
■ অপৰ্ণা দেৱী

৩৮ **চুড'কু**

৩৯ **মিছা কথাৰ ঠেং চুটি**
■ জাহ্নৱী বৰুৱা



**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আহি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ব'হাগে বতৰ কি জানে

■ অভিজিত শৰ্মা বৰুৱা





ব'হাগ অসমীয়া কেলেণ্ডাৰৰ প্ৰথম মাহ। ব'হাগত বতৰৰ কোনো ঠিকনা নাই। এই বৰষুণ, এই বতৰ ভাল, এই ধুমুহা ! কেতিয়াবাতো দিনটোৰ ভিতৰতে বতৰ কে'বাবাৰো সলনি হয়। সেই বাবেই মানুহে কয়— "ব'হাগে বতৰ কি জানে?"

ব'হাগ আমাৰ পঞ্জিকাৰ প্ৰথম মাহ হ'লেও শকাব্দ বা ভাৰতীয় ৰাষ্ট্ৰীয় পঞ্চাংগৰ ই দ্বিতীয় মাহ। ব'হাগ অৱশ্যে নেপালী বিক্ৰম সম্বৎ পঞ্জিকা আৰু পাঞ্জাবী নানকশাহি পঞ্জিকাৰো প্ৰথম মাহ। গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ এপ্ৰিল মাহৰ শেষাৰ্দ্ধ আৰু মে' মাহৰ প্ৰথমাৰ্দ্ধক লৈ ব'হাগ মাহ। বৈদিক পঞ্জিকাত এই মাহক মাধব মাহ আৰু বৈষ্ণৱ পঞ্জিকাত ইয়াক মধুসূদন মাহ বুলি কোৱা হয়।

## ব'হাগ আৰু বসন্ত ঋতু

ব'হাগ বসন্ত ঋতুৰ শেষৰ পৰ্য্যায়। উত্তৰ গোলাৰ্দ্ধত যেতিয়া বসন্ত ঋতু, তেতিয়া দক্ষিণ গোলাৰ্দ্ধত শৰৎ ঋতু। বসন্ত ঋতুৰ কালছোৱাত সাধাৰণতে দিন-ৰাতিৰ পৰিমাণ সমান হয়। অৰ্থাৎ বাৰ ঘণ্টা দিন আৰু বাৰ ঘণ্টা ৰাতি। তাৰ পাছত দিনৰ সময় ক্ৰমে বাঢ়ি আহে আৰু ৰাতিৰ পৰিমাণ ক্ৰমে কমি আহে। তেনেকৈ দিনৰ দৈৰ্ঘ্য বাঢ়ি বাঢ়ি ২২ জুনত সৰ্বোচ্চ হয় আৰু তাৰ পাছত পুনৰ লাহে লাহে কমি আহে।

বসন্ত ঋতুৰ আগমন হয় শীত ঋতুৰ অন্তত, আৰু গ্ৰীষ্ম ঋতু অহাৰ আগত এই ঋতুৰ সামৰণি পৰে। বসন্ত ঋতুত পৃথিৱী সূৰ্য্যৰ ফালে হেলনীয়া হৈ পৰে বাবে শীতকালৰ ঠাণ্ডা কমি উষ্ণতা বাঢ়িবলৈ আৰম্ভ কৰে। বতৰ আৰামদায়ক হৈ পৰে, গছৰ নতুন পাত ওলায়, নতুন গছৰ জন্ম হয়, নতুন ফুল ফুলে, প্ৰকৃতিত নতুন মাত্ৰা যোগ হয়। এই সকলো ইতিবাচক আৰু মনোমোহা ঘটনা ঘটাৰ বাবে বসন্ত ঋতুক 'ঋতুৰাজ বসন্ত' বুলি জনা যায়।

বসন্তত আছে তাৰুণ্যৰ চঞ্চলতা। ইয়াৰ আগমনৰ আগতে শীত কালত প্ৰকৃতিৰ সমস্ত ৰস যেন ঠাণ্ডাই শুহি লয়, প্ৰকৃতি ৰিক্ত হৈ উঠে। তেতিয়াই বসন্ত ঋতু আহি সেই ৰিক্ত প্ৰকৃতিক পুনৰ সজাই-পৰাই তোলে। শীতৰ দুটা মাহৰ পাছত প্ৰকৃতিৰ এই হঠাৎ ৰূপ পৰিবৰ্তনে জীৱ-জন্তু, মানুহ— সকলোৰে মাজত এক উন্মাদনাৰ সৃষ্টি কৰে। কৃষিজীৱী লোকসকলৰ ক্ষেত্ৰতো বসন্ত ঋতুৰ বিশেষ গুৰুত্ব আছে। কৃষিভূমি ৰবিশস্যৰ খেতিৰে ভৰি পৰে। পথাৰত সৰিয়হৰ খেতিৰ হালধীয়াই এক মায়াময়

পৰিৱেশ সৃষ্টি কৰে। ফলৰ ৰজা আমেও মলিয়ায় এই বসন্ত কালতে। কঁঠাল-জামুৰ সূচনাও এই বসন্ত ঋতুত হয়। বসন্ত ঋতুত গছৰ পাতত কুঁহিপাত মেলে। এই সময়ত শীতকালত শীতনিদ্ৰা কৰা জীৱসমূহে সাৰ পায়।

বসন্ত ঋতু প্ৰায় দুমাহ জুৰি থাকে। শীতকালৰ দীৰ্ঘ নিৰৱতাৰ পাছত কুলি, কেতেকীকে ধৰি পখীসমূহে আমাৰ কেউফালে মাতিবলৈ আৰম্ভ কৰে। বসন্তৰ আগমনত চৰাইবোৰ সজীৱ হৈ উঠে আৰু আনন্দতে মিঠা মাতেৰে কলকলাবলৈ ধৰে। বসন্ত ঋতুত তাপমাত্ৰা স্বাভাৱিক। বেছি ঠাণ্ডাও নহয়, গৰমো নহয়। এক আৰামদায়ক উষ্ণতা। প্ৰকৃতিয়ে আমাৰ চাৰিওকাষ সেউজীয়া গছেৰে ভৰাই তোলে। তাৰ মাজে মাজে ৰঙীন আৰু সুগন্ধি ফুল। উদ্ভিদজগতে যেন এক নতুন জীৱন আৰু নতুন ৰূপ লাভ কৰে। পশু-পক্ষীৰ লগতে মানুহেও নিজকে সুস্থ, সুখী আৰু সক্ৰিয় অনুভৱ কৰে। শীতকালত মানুহে বহুতো কাম ভবামতে কৰিব নোৱাৰে। মনবোৰো সেমেকি থাকে। বসন্তৰ মনোমোহা পৰিৱেশত মানুহৰ ক্লান্তি কম লাগে আৰু যথেষ্ট কাম কৰিও সতেজ অনুভৱ কৰে।

বসন্ত ঋতুৰ সময়ত অসমৰ হাবিত নানাবিধ অৰ্কিড ফুলা দেখা যায়। কপৌ, কেতেকী, নাহৰ আৰু তগৰ ফুল অসমৰ বসন্ত ঋতুৰ এক বিশেষ বৈশিষ্ট্য।

## বিভিন্ন দেশত বসন্ত ঋতুৰ সময়

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলণ্ডত বসন্ত ঋতুৰ সময়ছোৱা হ'ল—মাৰ্চ, এপ্ৰিল আৰু মে' ।

আয়াৰলেণ্ডত বসন্ত ঋতুৰ সময় হ'ল—ফেব্ৰুৱাৰী, মাৰ্চ আৰু এপ্ৰিল।

অষ্ট্ৰেলিয়াত বসন্ত ঋতুৰ সময় হ'ল—ছেপ্টেম্বৰ, অক্টোবৰ আৰু নৱেম্বৰ।

নিউজিলেণ্ডত ২২ বা ২৩ ছেপ্টেম্বৰত বসন্ত ঋতুৰ আগমন আৰু ২১ ডিচেম্বৰত অন্ত পৰা বুলি ধৰা হয়।

ব্ৰাজিলত বসন্ত ঋতুৰ মাহসমূহ হ'ল—ছেপ্টেম্বৰ, অক্টোবৰ আৰু নৱেম্বৰ।

চীন দেশৰ পৰম্পৰাগত কেলেণ্ডাৰত বসন্ত ঋতু ৩-৫ ফেব্ৰুৱাৰীত আৰম্ভ হয় আৰু ৫-৭ মে'ত শেষ হয়।

কেল্টিক পৰম্পৰাত বসন্ত ঋতু ফেব্ৰুৱাৰীৰ আগভাগত আৰম্ভ হৈ মে'ৰ আগভাগলৈ চলে।

## বতৰকেন্দ্ৰিক মনোবিজ্ঞান

বতৰকেন্দ্ৰিক মনোবিজ্ঞান হ'ল বতৰ (চমু সময়) আৰু জলবায়ুৱে (দীৰ্ঘ সময়) মানুহৰ মনোজগতত কি প্ৰভাৱ পেলাব পাৰে, মানুহৰ ব্যৱহাৰৰ কি কি পৰিৱৰ্তন ঘটায়, ব্যক্তিগত চিন্তা আৰু আবেগৰ ওপৰত কি ক্ৰিয়া কৰে আৰু তাৰ ফলত কি আনুষ্ঠানিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ সৃষ্টি হয়, তাৰ এক অধ্যয়ন।

বছৰেকৰ ভিতৰতে বিভিন্ন ঋতুত মানুহৰ নানা মানসিক পৰিৱৰ্তন ঘটাব পাৰে। এনে মানসিক পৰিৱৰ্তনক কোৱা হয় 'ছীজনেল এফেক্টিভ ডিছ'ৰ্ডাৰ' (Seasonal Affective Disorder—চমুকৈ SAD)। ইয়াৰ আটাইতকৈ ভাল উদাহৰণ হ'ল—শীতকালীন SAD। এই লক্ষণ শীতপ্ৰধান দেশসমূহৰ মানুহৰ ক্ষেত্ৰত দেখা যায়। যেতিয়া প্ৰচণ্ড ঠাণ্ডা পৰে, ৰাতিসমূহ দীঘল আৰু দিনসমূহ চুটি হৈ আহে, তেতিয়া সেই অঞ্চলৰ বহু মানুহৰে মনত এক অস্বাভাৱিক হতাশ ভাব দেখা যায়। ইয়েই শীতকালীন SAD। বৈজ্ঞানিক অধ্যয়নে দেখুৱাইছে যে উচ্চ উষ্ণতা আৰু উচ্চ আৰ্দ্ৰতাই মগজুৰ নিউৰ'ৰাসায়নিক পৰিৱৰ্তন ঘটাই মনত অতিৰিক্ত চাপ আৰু খেলিমেলি চিন্তাৰ সৃষ্টি কৰিব পাৰে।

বতৰ যদি ডাৱৰীয়া হয় আৰু পেনপেনীয়া বৰষুণ দি থাকে তেন্তে সাধাৰণভাৱে মানুহৰ মনত দুখ আৰু হতাশাৰ ভাব উদ্ৰেক হয়। আন এক সমীক্ষাৰ পৰা জানিব পৰা গৈছে যে উষ্ণতা বেছি হ'লে মানুহৰ মনত আক্ৰমণাত্মক ভাবো বেছি হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত হত্যা, ডকাইতি, আক্ৰমণ আদি ডাঙৰ অপৰাধ গ্ৰীষ্মকালতহে বৃদ্ধি পায়।

বেয়া বতৰ আৰু প্ৰাকৃতিক বিপৰ্য্যয়ে মানুহৰ মনত ভয়াবহ আৰু স্থায়ী মানসিক অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে। ঠাণ্ডা আৰু অনবৰতে বৰষুণ দি থকা বতৰত কিবা ভাল কাম কৰিবলৈ আমাৰ ইচ্ছা হ্ৰাস পায় বা নেতিবাচক ভাব-চিন্তাৰ ফলত ইতিবাচক কাম কৰাৰ আগ্ৰহ নোহোৱা



হয়। বেছিদিন বানপানী হ'লে বা খৰাং হ'লে মানুহৰ মানসিক চাপ, নিৰাশা আদি বাঢ়ি যায়; লগতে মনত এক অবুজ আতংকই ক্রিয়া কৰিবলৈ আৰম্ভ কৰে। সূৰ্য্যৰ পোহৰৰ অভাৱেও মানুহৰ মনত বিৰক্তি আৰু নিৰাশা সৃষ্টি কৰিব পাৰে।

## ব'হাগত কি হয়?

২০০৪ চনত মিচিগান বিশ্ববিদ্যালয়ৰ এক গৱেষকৰ দলে মানুহৰ মানসিক স্বাস্থ্য সম্পৰ্কত অধ্যয়ন চলাই জানিবলৈ দিছিল যে বাহিৰৰ মনোমোহা পৰিবেশত কোনো মানুহে যদি আধা ঘণ্টাও কটায়, তেন্তে সেই মানুহ তুলনামূলকভাৱে বেছি ৰঙিয়াল হৈ উঠে।

ব'হাগ মাহ তথা বসন্ত ঋতুত প্ৰাকৃতিক পৰিবেশ মনোমোহা হৈ উঠে। অনবৰতে তেনে পৰিবেশত থাকি মানুহৰ মনবোৰ স্বাভাৱিকতে ৰঙিয়াল হৈ উঠে আৰু তেওঁলোকে নানা উৎসৱৰ আয়োজন কৰি নিজৰ আনন্দ প্ৰকাশ কৰিব বিচাৰে। আমাৰ ৰঙালী বিহুও তেনে ধৰণৰ এক উৎসৱ।

ব'হাগৰ মনোমোহা বতৰ, নাতিশীতোষ্ণ উষ্ণতা, বায়ুচাপ আদিয়ে মিলি ভাল মেজাজ, ভাল স্মৃতিশক্তি আৰু সংবেদনশীলতা বৃদ্ধি কৰে আৰু মানুহবোৰ বেছি মুকলি আৰু সৃষ্টিমূলক হৈ উঠে।

বসন্ত ঋতু জনজীৱনৰ কাৰণে কেউফালৰ পৰা নিৰাপদ সময়। এই সময়ত খোলা আকাশৰ তলত ৰাতি কটাব পাৰি। লেপ-তুলী নোহোৱাকৈ য'তে ইচ্ছা তাতে শুব পৰা যায়। প্ৰকৃতিৰ পৰা নিৰাপত্তাৰ আশ্বাস পাই মানুহে এই সময়তে নানা আনন্দোৎসৱৰ আয়োজন কৰে। সেইবোৰতো বাদেই বিবাহ অনুষ্ঠানৰো প্ৰাদুৰ্ভাৱ বাঢ়ে এই ব'হাগতে। অসমততো বিহুৰ আলম লৈ বিচিত্ৰানুষ্ঠান চলিয়েই থাকে। বিভিন্ন ঠাইত মেলা-চাৰ্কাছৰ আয়োজন কৰা হয়। উন্মুক্ত ঠাইত দোকান-পোহাৰো বহে।

ব'হাগৰ বতৰ বেছ বিচিত্ৰ। ব'হাগত বৰদৈচিলা নামৰ ধুমুহা আহিবই। এবাৰ বিহুৰ আগতে, যাক আমি বৰদৈচিলাই মাকৰ ঘৰলৈ বিহু খাবলৈ আহিছে বুলি কওঁ আৰু এবাৰ বিহুৰ পাছত, যাক আমি বৰদৈচিলাই বিহু খাই মাকৰ ঘৰৰ পৰা ঘূৰি গৈছে বুলি কওঁ। কিন্তু ব'হাগত বৰষুণ হ'লেও কম সময়ৰ বাবেহে হয় আৰু তাৰ পাছতে সূৰ্য্যৰ জলমল পোহৰত প্ৰকৃতিয়ে আকৌ মনোমোহা ৰূপ লয়। ব'হাগত আকাশত সাধাৰণতে শুকুলা ডাৱৰ থাকেই। এই সকলোৱে মিলি ব'হাগৰ বতৰক অনন্য কৰি তোলে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, এপ্ৰিল ২০২৩

১। ক্রিকেটত 'গ'ল্ডেন ডাক' মানে কি বাৰু?


২। ভ্ৰাম্যমান থিয়েটাৰৰ 'ভ্ৰাম্যমান' নামটো কোনে দিছিল?

৩। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত আমাৰ দেশৰ একমাত্ৰ ৰাষ্ট্ৰপতিগৰাকী কোন বাৰু?

৪। ইউছুফ খান - বলীউডৰ কোনজন অভিনেতাৰ প্ৰকৃত নাম?

৫। কোনটো বিখ্যাত কোম্পানীৰ নামটোৰ অৰ্থ কোৰিয়ান ভাষাত 'তিনিটা তৰা'?

## সতীশ কৌশিকৰ দেহাৱসান



বলীউডৰ জনপ্ৰিয় অভিনেতা-পৰিচালক সতীশ কৌশিকৰ যোৱা ৮ মাৰ্চ তাৰিখে ৬৭ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৫৬ চনত হাৰিয়ানাত জন্ম লাভ কৰা কৌশিকে 'নেছনেল স্কুল অব ড্ৰামা'ত শিক্ষা গ্ৰহণ কৰি ১৯৮৩ চনত বলীউডৰ অভিনয় জগতখনত প্ৰবেশ কৰে। ১৯৮৭ চনত মিষ্টাৰ ইণ্ডিয়া চলচ্চিত্ৰখনত কেলেণ্ডাৰ চৰিত্ৰটোত অভিনয় কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা সতীশ কৌশিকৰ অভিনীত কেইখনমান চলচ্চিত্ৰ হৈছে—দিৱানা মস্তানা, ৰাম-লক্ষ্মণ, ছাজন চলে চচুৰাল, বড়ে মিয়া ছোটে মিয়া, মিষ্টাৰ এণ্ড মিছেছ খিলাড়ী, উৎসৱ, সাগৰ, হাসিনা মান জায়েগী ইত্যাদি। প্ৰয়াত অভিনেত্ৰী শ্ৰীদেৱীৰ 'ৰূপ কী ৰাণী চোৰো কা ৰাজা' ছবিৰে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰা সতীশ কৌশিকে পৰিচালনা কৰা জনপ্ৰিয় ছবি কেইখনমান হৈছে—প্ৰেম, হাম আপকে দিল মে ৰেহতে হেয়, ৰাজ, তেৰে সংগ, তেৰে নাম ইত্যাদি। কেইবাখনো হিন্দী ছবিৰ চিত্ৰনাট্য ৰচনা কৰা কৌশিকে সৰ্বশ্ৰেষ্ঠ হাস্যৰসিক অভিনেতাৰ ফিল্মফেয়াৰ বঁটা লাভ কৰাৰ উপৰি অভিনয়-পৰিচালনা-দক্ষতাৰ স্বীকৃতি স্বৰূপে অসংখ্য বঁটা তথা সন্মান লাভ কৰিছিল।

## 'নাটু নাটু' গীতলৈ অস্কাৰ বঁটা

এছ এছ ৰাজামৌলি পৰিচালিত আৰ আৰ আৰ




চলচ্চিত্ৰৰ 'নাটু নাটু' গীতটোৱে শ্ৰেষ্ঠ মৌলিক গীতৰ শিতানত ২০২৩ বৰ্ষৰ অস্কাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি কাৰ্তিকী গ'ঞ্জালভিচ আৰু গুণীত মুংগা পৰিচালিত তামিল ভাষাৰ 'দি এলিফেণ্ট হুইস্পাৰছ' নামৰ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ চুটি তথ্যচিত্ৰৰ অস্কাৰ বঁটা লাভ কৰিছে। দুটি মাতৃহাৰা হাতীৰ পোৱালি আৰু সিহঁতক লালন-পালন কৰা হাতীৰ মাউত দম্পতীৰ আবেগিক সম্পৰ্কই হৈছে পুৰস্কাৰপ্ৰাপ্ত চুটি তথ্যচিত্ৰখনৰ মূল উপজীব্য। উল্লেখযোগ্য যে ১৯৮৩ চনত 'গান্ধী' চলচ্চিত্ৰখনৰ 'কষ্টিউম ডিজাইন' শিতানত ভানু আথাইয়া আছিল অস্কাৰ বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় শিল্পী।

এই বৰ্ষত 'এভ্ৰিথিং এভ্ৰিহোৱেৰ অল এট ৱানচ' চলচ্চিত্ৰখনে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটাৰ লগতে চলচ্চিত্ৰখনত কৰা অনবদ্য অভিনয়ৰ বাবে মিছেলি য়েৱেই শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। লগতে এই চলচ্চিত্ৰখনে শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ মৌলিক চিত্ৰনাট্য, শ্ৰেষ্ঠ সম্পাদনা, শ্ৰেষ্ঠ সহ-অভিনেতা আৰু অভিনেত্ৰীৰ বঁটাও লাভ কৰিবলৈ সমৰ্থ হৈছে। 'দি হোৱেল' নামৰ চলচ্চিত্ৰখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে ব্ৰেণ্ডাৰ ফ্ৰেজাৰে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে। 'অৱতাৰ ঃ দি ৱে অব্ ৱাটাৰ' ছবিখনে শ্ৰেষ্ঠ ভিজুৱেল ইফেক্টছ শিতানত অস্কাৰ বঁটা লাভ কৰে। 'ব্লেক পেন্থাৰ ঃ ৱাকাণ্ডা ফৰএভাৰ' ছবিখনে শ্ৰেষ্ঠ কষ্টিউম ডিজাইন শিতানত অস্কাৰ বঁটা লাভ কৰাৰ বিপৰীতে জাৰ্মানীৰ 'অল কোৱাইট অন দি ৱেষ্টাৰ্ন ফ্ৰন্ট' চলচ্চিত্ৰখনে শ্ৰেষ্ঠ আন্তঃৰাষ্ট্ৰীয় কাহিনী ছবি আৰু শ্ৰেষ্ঠ চিনেমাট'গ্ৰাফী শিতানত অস্কাৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়।

## ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বিধানসভা নিৰ্বাচন

যোৱা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয় বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল যোৱা ২ মাৰ্চ তাৰিখে আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি ৬০ জনীয়া ত্ৰিপুৰা বিধানসভাত শাসনাধিষ্ঠ বিজেপি দলে ৩২ খন আসন দখল কৰি একেৰাহে দ্বিতীয়টো কাৰ্য্যকালৰ বাবে ৰাজ্যখনৰ শাসন ক্ষমতা হস্তগত কৰিবলৈ সক্ষম হয়।

আনহাতে প্ৰধান বিৰোধী দল বাঁওমৰ্চা—কংগ্ৰেছ মিত্ৰজোঁটে ১৪ খন আসন আৰু নৱগঠিত তিপ্ৰামথা দলে ১৩ খন আসন আৰু অন্যান্যই ১ খন আসন দখল কৰে। বিজেপি দলৰ নেতা ড° মাণিক সাহাই একেৰাহে দ্বিতীয়টো কাৰ্য্যকালৰ বাবে ৯ মাৰ্চত ৰাজ্যখনৰ ১৩ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

আনহাতে ৬০ জনীয়া মেঘালয় বিধানসভা নিৰ্বাচনত এনপিপি দলে ২৫ খন আসন আৰু ইউডিপি দলে ১১ খন আসন আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে ৫ খনকৈ আসন লাভ কৰে। বিজেপি দলে মাত্ৰ ৩ খন আসন দখল কৰাৰ বিপৰীতে অন্যান্যই ১১ খন আসন লাভ কৰে। কনৰাড চাংমা একেৰাহে দ্বিতীয়টো কাৰ্য্যকালৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হয়। তদুপৰি ৬০ জনীয়া নাগালেণ্ড বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠ এনডিপিপি আৰু বিজেপি দলে ক্ৰমে ২৫ আৰু ২২ খন আসন দখল কৰি পুনৰ ক্ষমতা হস্তগত কৰে। আনহাতে প্ৰধান বিৰোধী দল এনচিপি আৰু এনপিপি দলে ক্ৰমে ৭ আৰু ৫ খন আসন দখল কৰে। অন্যান্য দলে ১১ খন আসন লাভ কৰে। এনডিপিপি দলৰ মুৰব্বী নেইফিঅ' ৰিঅ'ই পঞ্চমটো কাৰ্য্যকালৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়।

## ৰাজ্যিক চলচ্চিত্ৰ বঁটা ঘোষণা




ৰাজ্যখনৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই যোৱা ১০ মাৰ্চ তাৰিখে অষ্টম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি ২০১৮ বৰ্ষৰ বাবে 'বুলবুল কেন ছিং' আৰু ২০১৯ বৰ্ষৰ বাবে 'জোনাকী পৰুৱা'ই শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। ২০১৮ বৰ্ষৰ বাবে ৰীমা দাস পৰিচালিত 'বুলবুল কেন ছিং' ছবিখনে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা (শ্ৰেষ্ঠ ছবিৰ) বঁটা লাভ কৰে। একেখন চলচ্চিত্ৰৰ বাবে ৰীমা দাসে শ্ৰেষ্ঠ পৰিচালকৰ বঁটাও লাভ কৰিবলৈ সমৰ্থ হয়। 'চোৰ' আৰু 'শৈশৱতে ধেমালিতে' চলচ্চিত্ৰৰ বাবে অনুৰাগ শইকীয়াই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰাৰ বিপৰীতে




উৎকল হাজোৰাৰীয়ে 'ছাছপেণ্ডেড ইন্সপেক্টৰ, বড়ো' চলচ্চিত্ৰত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে। অমৃতা গগৈয়ে 'নিজানৰ গান' আৰু ড° জাহানাৰা বেগমে 'কানীন' চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়।

তদুপৰি মিলিন দত্ত পৰিচালিত 'জোনাকী পৰুৱা' চলচ্চিত্ৰখনে ২০১৯ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটাৰ লগতে আন চাৰিটা শ্ৰেষ্ঠত্বৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। 'আমিষ' চলচ্চিত্ৰৰ বাবে ভাস্কৰ হাজৰিকাই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰাৰ লগতে এই চলচ্চিত্ৰখনে আন চাৰিটা শিতানত শ্ৰেষ্ঠত্বৰ বঁটা লাভ কৰে। বিশিষ্ট গায়িকা তৰালি শৰ্মাই জোনাকী পৰুৱাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা আৰু বেঞ্জামিন দৈমাৰীয়ে একেখন ছবিত কৰা অনবদ্য অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে। লিমা দাসে 'আমিষ' চলচ্চিত্ৰত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। 'কাঞ্চনজংঘা'ৰ বাবে জুবিন গাৰ্গে শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ) বঁটা আৰু 'প্ৰতিঘাত' চলচ্চিত্ৰৰ বাবে অনন্যা দত্তই শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (মহিলা) বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। ২০১৯ বৰ্ষত 'ৰণুৱা' চলচ্চিত্ৰৰ বাবে চন্দ্ৰ মুদৈয়ে বিশেষ জুৰি বঁটা তথা অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী অমিত কুমাৰ বৰাই 'পৰিচয়' চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ সহ-অভিনেতাৰ বঁটা লাভ কৰে।

## ২০২৩-২৪ বিত্তীয় বৰ্ষৰ অসম বাজেট

যোৱা ১৬ মাৰ্চ তাৰিখে অসম বিধানসভাত ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেট




উত্থাপন কৰে। বিত্তমন্ত্রীগৰাকীয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ১,৩৯,৪৪৩.৮৮ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শনেৰে ৯৩৫.২৩ কোটি টকাৰ ঘাটি বাজেট বিধানসভাত দাখিল কৰে। বাজেটখনত মূলতঃ ৰাজ্যিক কৰ ৰাজহ (৩০,০০২ কোটি টকা), কেন্দ্ৰীয় কৰৰ অংশ (৩১,৯৫১ কোটি টকা), কেন্দ্ৰীয় আঁচনি (৩১,১৩০ কোটি টকা), ঋণ (২৫,০৫২ কোটি টকা) আদি উৎসৰ পৰা আয়ৰ প্ৰস্তাৱ কৰা হৈছে। আনহাতে বাজেটখনত সাধাৰণ সেৱা (৪২,৬৯০ কোটি টকা), সামাজিক সেৱা (৫১,৯১২ কোটি টকা), অৰ্থনৈতিক সেৱা (১৪,৩৪৪ কোটি টকা) আদি শিতানত সৰ্বাধিক ব্যয়ৰ প্ৰস্তাৱ ৰখা হৈছে।

থোৰতে বাজেটখনত উল্লেখ কৰা কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হৈছে—

১। ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে তিনি বছৰত এক লাখ যুৱক-যুৱতীক কিস্তি হিচাপত দুই লাখ টকাকৈ সাহায্য দিয়া।

২। আয়ুষ্মান ভাৰত আঁচনিয়ে সামৰি নোলোৱা পৰিয়ালৰ বাবে মুখ্যমন্ত্ৰী আয়ুষ্মান আঁচনিৰ অধীনত প্ৰতিটো পৰিয়াললৈ পাঁচ লাখ টকাৰ চিকিৎসাৰ সুবিধা প্ৰদান কৰা।

৩। ৫০০খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে পাঁচ কোটিকৈ টকা প্ৰদান কৰা।

৪। শিৱসাগৰ মহাবিদ্যালয়, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, জগন্নাথ বৰুৱা মহাবিদ্যালয়, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয় আদিক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰা।

৫। কৃষি আয়কৰ তিনি বছৰলৈ ৰেহাই দিয়া।

৬। ৯১ কিল'মিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোড নিৰ্মাণ কৰা।

৭। গুৱাহাটীত তিনিখন উৰণ সেতু আৰু তিনিটা এলিভেটেড পথ নিৰ্মাণ কৰা।

৮। বৈদ্যুতিক বাহন ক্ৰয়ৰ ক্ষেত্ৰত পঞ্জীয়ন মাচুল ৰেহাইসহ দুই শতাংশ যান-বাহন কৰ ৰেহাই দিয়া ইত্যাদি।

১০৮ পৃষ্ঠাজোৰা দীঘলীয়া বাজেটত বিত্তমন্ত্ৰী অজন্তা নেওগে আন্তঃগাঁথনি উন্নয়ন আৰু সামাজিক কল্যাণ শিতানত অধিক গুৰুত্ব আৰোপ কৰিছে।

## মুখ্য নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ নতুন বিধি

যোৱা ২ মাৰ্চ তাৰিখে উচ্চতম ন্যায়ালয়ৰ ৫ জনীয়া সাংবিধানিক বিচাৰপীঠে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত (Chief Election Commissioner) আৰু অন্যান্য আয়ুক্তসকলক কেন্দ্ৰীয় চৰকাৰে একপক্ষীয়ভাৱে নিযুক্তি দিব নোৱাৰিব বুলি ঐতিহাসিক ৰায়দান কৰে। উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি দেশৰ প্ৰধানমন্ত্ৰী, সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু লোকসভাৰ বিৰোধী দলপতিক লৈ গঠিত এখন কমিটিয়েহে মুখ্য নিৰ্বাচন আয়ুক্ত (চিইচি) আৰু অন্যান্য আয়ুক্তসকলক নিয়োগ কৰিব পাৰিব বুলি ৰায়দান কৰে। জ্যেষ্ঠ ন্যায়াধীশ কে এম যোছেফৰ নেতৃত্বত গঠিত পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠখনৰ অন্যান্য ন্যায়াধীশসকল হৈছে ক্ৰমে ন্যায়াধীশ অজয় ৰাস্তোগি, ন্যায়াধীশ অনিৰুদ্ধ বসু, ন্যায়াধীশ হৃষীকেশ ৰায় আৰু ন্যায়াধীশ চিটি ৰবিকুমাৰ। সাংবিধানিক বিচাৰপীঠখনে গণতন্ত্ৰ বৰ্তাই ৰখাৰ স্বাৰ্থত নিৰ্বাচন প্ৰক্ৰিয়া বিশুদ্ধ হোৱাটো জৰুৰী বুলি দোহাৰে আৰু নিৰ্বাচন আয়োগৰ কাম-কাজ চৰকাৰী আমোলাসকলৰ হস্তক্ষেপৰ পৰা মুক্ত ৰখাৰ বাবে এই ৰায় প্ৰদান কৰা বুলি ঘোষণা কৰে। ৰায়টোত মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য আয়ুক্তসকলক কেন্দ্ৰীয় চৰকাৰে পদৰ পৰা অপসাৰণ কৰিব নোৱাৰিব আৰু আয়োগৰ নিজা সচিবালয়, স্বাধীন বাজেট, নিয়ম নিৰ্দ্ধাৰণকাৰী ক্ষমতা থাকিব বুলি ঘোষণা কৰে। লগতে নিৰ্বাচন আয়োগে ভাৰতৰ সঞ্চিত পুঁজিৰ পৰা প্ৰত্যক্ষভাৱে পুঁজি সংগ্ৰহ কৰিব পাৰিব আৰু পুঁজিৰ বাবে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয় আৰু আইন মন্ত্ৰালয়ৰ পুঁজিৰ অনুমোদনৰ প্ৰয়োজন নহ'ব। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ ফেব্ৰুৱাৰী, ২০২৩ৰ পৰা ২০ মাৰ্চ, ২০২৩লৈ)**

৬ **ফেব্ৰুৱাৰী** : অপূৰ্ণা বসুমতাৰী ২০ বছৰৰ অনূৰ্দ্ধ ভাৰতীয় মহিলা ফুটবল দলৰ অধিনায়ক নিৰ্বাচিত হয়।

২১ **ফেব্ৰুৱাৰী** : ৪৭ বছৰীয়া ডিমিট্ৰি ডিমিক্ৰুক ভাৰতীয় বক্সিং দলৰ প্ৰশিক্ষক হিচাপে দুবছৰৰ বাবে নিযুক্তি দিয়া হয়।

২২ **ফেব্ৰুৱাৰী** : এমাহৰ ভিতৰত দেশৰ সকলো আৰক্ষী থানাতে চিচি টিভি কেমেৰা স্থাপন কৰিবলৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে।

- কোকৰাঝাৰ জিলাৰ পাটগাঁৱত বড়ো সাহিত্য সভাৰ ৬২ সংখ্যক অধিবেশন আৰম্ভ হয়।
- আম আদমী পাৰ্টিৰ শ্বেলী অ'বেৰয় দিল্লী পৌৰ নিগমৰ মেয়ৰ নিৰ্বাচিত হয়।

২৩ **ফেব্ৰুৱাৰী** : ১৪ সংখ্যক এছিয়ান লন বল চেম্পিয়নশ্বিপত নয়নমণি শইকীয়াই স্বৰ্ণপদক লাভ কৰে।

২৪ **ফেব্ৰুৱাৰী** : পদ্মশ্ৰী বঁটাপ্ৰাপক ৬৩ বছৰীয়া অজয় বাংগা 'ৱৰ্ল্ড বেংক'ৰ সভাপতি নিৰ্বাচিত হয়।

২৫ **ফেব্ৰুৱাৰী** : ইউনিচেফৰ এখন প্ৰতিবেদনে অসমৰ নৱপ্ৰজন্মৰ ২৪% লোক তীব্ৰ মানসিক চাপ আৰু উদ্বিগ্নতাত ভোগা বুলি প্ৰকাশ কৰে।

২৬ **ফেব্ৰুৱাৰী** : অষ্ট্ৰেলিয়াই ষষ্ঠ মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপৰ খিতাপ দখল কৰে।

২৭ **ফেব্ৰুৱাৰী** : প্ৰসিদ্ধ সাংবাদিক তথা সুলেখক সমুদ্ৰগুপ্ত কাশ্যপক ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠানে 'জীৱনজোৰা সাধনা কৃতিত্ব' বঁটা প্ৰদান কৰে।

২৮ **ফেব্ৰুৱাৰী** : লিঅ'নেল মেছিয়ে ফিফাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ (২০২২) বঁটা লাভ কৰে। স্পেইনৰ এলেক্সিয়া পুটেলাছে বৰ্ষশ্ৰেষ্ঠ মহিলা খেলুৱৈৰ বঁটা লাভ কৰে।

৩ **মাৰ্চ** : অসমৰ আধুনিক ছপাশালৰ অন্যতম বাটকটীয়া যোগেশ শৰ্মাৰ ৯১ বছৰ বয়সত মৃত্যু হয়।

৫ **মাৰ্চ** : গুৱাহাটীত ছাংহাই কো-অপাৰেছন অৰ্গেনাইজেছনৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হয়।

৮ **মাৰ্চ** : ৰামচন্দ্ৰ পৌতেল নেপালৰ তৃতীয়গৰাকী ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হয়।

- বিশিষ্ট সমাজবিজ্ঞানী, প্ৰগতিশীল লেখক ইন্দিবৰ দেউৰীৰ ৭৭ বছৰ বয়সত মৃত্যু হয়।

৯ **মাৰ্চ** : লাচিত বৰফুকন বিষয়ক ৪৩ লাখ ৰচনাৰে অসমে গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত নিজৰ নাম সন্নিবিষ্ট কৰে।

১০ **মাৰ্চ** : ঝি জিনপিং একেৰাহে তৃতীয়বাৰৰ বাবে চীনৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয়।

- স্নেহলতা এন চাংমাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৩ বৰ্ষৰ 'মহীয়সী' বঁটা প্ৰদান কৰে।

১৩ **মাৰ্চ** : ভাৰতে ক্ৰিকেটৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰে।

১৪ **মাৰ্চ** : ২০২৬ চনৰ ফুটবল বিশ্বকাপ ৪৮টা দলেৰে অনুষ্ঠিত হ'ব বুলি ফিফাই আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

১৫ **মাৰ্চ** : এৰিক গাৰ্চেট্ৰিক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত হিচাপে ভাৰতত নিযুক্তি দিয়া হয়।

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ চিনেট সদনে অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ বুলি প্ৰস্তাৱ গ্ৰহণ কৰে।

১৭ **মাৰ্চ** : অসমত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা ২২,০০,১২৫ জন বুলি ৰাজ্য চৰকাৰে বিধানসভাত প্ৰকাশ কৰে।

১৮ **মাৰ্চ** : অসমৰ ডিগবৈ চহৰে মধ্য আৰু দক্ষিণ এছিয়াৰ আটাইতকৈ কম প্ৰদূষিত চহৰৰ স্থান লাভ কৰে।

২০ **মাৰ্চ** : ইণ্ডিয়ান গ্ৰাঁ প্ৰী-১ত মহিলাৰ ২০০ মিটাৰ শাখাত হিমা দাসে স্বৰ্ণপদক অৰ্জন কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# মনন

■ উপাসনা শৰ্মা
নৱম শ্ৰেণী

"Give me some sunshine,
Give me some rain,
Give me an another chance
I wanna grow up once again."

নিয়ৰৰ গিটাৰখনত প্ৰাণ পাই উঠিল এটি গান ! তাই নাজানে, কিয় তাইৰ আজি এইটো গান বজাবৰ ইচ্ছা গ'ল ! গিটাৰখন তাইৰ অনুৰাগ, সেই অনুৰাগটোক লৈ আজি তাই তাইৰ গধূলিটো পাৰ কৰিলে।

সকলো ঠিকেই, তাইৰ মনটোৱেও কৈয়েই আছে—"Everything will be fine!" তাই কেৱল বিচাৰি পোৱা নাই, আৰম্ভ ক'ত হৈছিল? আজি প্ৰায় দুমাহ হ'ল তাই স্কুললৈ যোৱা নাই।

"নিয়ৰ, অনুভৱে ফ'ন কৰিছে।" মাকৰ মুখৰ কথাষাৰ শুনি তাই জঁপিয়াই বিছনাখনৰ পৰা নামি আহিল, ডিম লাইটৰ সামান্য পোহৰেৰে পোহৰ হৈ থকা কোঠাটোৰ পৰা তাই দৌৰি ওলাই আহিল।

"হেল্ল', অনুভৱ ক'ত আছা?"

—মাকৰ হাতৰ পৰা ফ'নটো লৈ তাই প্ৰায় চিঞৰি উঠিল।

"ঘৰতে আছোঁ। কিয়?"

"মই তুমি কোৱা গানটো বজাব পৰা হ'লোঁ নহয় !"

—এইবুলি নিয়ৰ আকৌ নিজৰ কোঠালৈ সোমাই গ'ল।

"অনুভৱৰ ফ'নটোলৈ যে তাইৰ কিমান অপেক্ষা !" —হাঁহি মাৰি মাকে কথাষাৰ ক'লে। ওচৰৰ চোফাখনত বহি থকা মিষ্টাৰ দুৱৰা অৰ্থাৎ নিয়ৰৰ দেউতাকেও এটা হাঁহিৰে মাকৰ কথাষাৰত সঁহাৰি জনালে।

এয়া বৰ্তমান দুৱৰা পৰিয়ালৰ নিত্য-নৈমিত্তিক কাহিনী। ছমাহ আগলৈ সকলো বেলেগ আছিল। ছমাহৰ



আগলৈ, ডা° অনুভৱ শৰ্মা দুৱৰা পৰিয়ালৰ বাবে আছিল এজন অচিনাকি তথা এজন তেনেই সাধাৰণ ব্যক্তি। 'Cardiologist', ডা° অনুভৱ শৰ্মা। আকৌ এজন নতুন ডাক্তৰৰ ওচৰলৈ নিয়ৰক মাক-দেউতাকে লৈ গৈছিল। তাই তেতিয়া আমন-জিমনকৈ থকা এজনী ছোৱালী। নিয়ৰে যেতিয়া গম পাইছিল তাই এগৰাকী 'হৃদৰোগী', তাই বিশেষ আচৰিত হোৱা নাছিল। মাক-দেউতাকে এজনৰ পাছত এজনকৈ ডাক্তৰ সলাইছিল নিয়ৰৰ চিকিৎসাৰ বাবে। তাই সেইকেইটা দিনৰ ভিতৰতে বহুকেইজন ডাক্তৰকে লগ পালে, কিন্তু এজনেও তাইৰ ভাল হোৱাৰ আশা নেদেখিলে, আনকি তাই নিজেও এবাৰলৈও ভাবিব নোৱাৰিলে যে তাই তেওঁলোকৰ চিকিৎসাত ভাল হ'ব। কিন্তু এইবাৰ তাই কিছু বেলেগ পালে... "সময় লাগিব, কিন্তু !" অনুভৱৰ এইষাৰ কথাৰ পৰাই তাই কিছু আশা বিচাৰি পোৱা যেন পালে। লাহে লাহে নিয়ৰ আৰু ডা° অনুভৱৰ মাজৰ সম্পৰ্কটো ডাক্তৰ আৰু ৰোগীতকৈ বেছি দাদাক-ভনীয়েকৰহে হৈ পৰিল।

অনুভৱৰ কথাবোৰে তাইক বৰকৈ উৎসাহিত কৰে। লগতে আপোন বুলিবলৈ কোনো নথকা অনুভৱৰো দুৰৰা পৰিয়ালটো একেবাৰে আপোন যেন হৈ পৰিল। নিয়ৰেও নিজৰ সকলো কথা অনুভৱক খুলি ক'ব পাৰে। নিজৰ, আন ৰোগীৰ কথাৰ পৰা আদি কৰি প্ৰায় সকলো কথাই অনুভৱেও নিয়ৰক কয়।

নিয়ৰৰ গিটাৰৰ সুৰৰ সৈতে আৰম্ভ হোৱা সেই গধূলিটো আন্ধাৰে আঁকোৱালি লৈ নিশাৰ ওৰণিখনেৰে ঢাকি দিলে।

"দিয়া তেনেহ'লে, বাই। কাইলৈৰ কাৰণে ভয় খাব নালাগে।" অনুভৱে ক'লে। হঠাৎ নিয়ৰৰ মনত পৰিল তাইৰ কাইলৈ দীঘলীয়া এটা অপাৰেছন আছে। তাইৰ মনত পৰিল তাইৰ জীৱনত হয়তো আৰু কিছুদিনহে আছে। হ'লেও অনুভৱক তাই এটা হাঁহিৰেই উত্তৰ দিলে—"ঠিক আছে।"

হ'বলগীয়া ধৰণে, সেই 'কাইলৈ'টো 'আজি' হ'লহি। প্ৰায় ৭ ঘণ্টা 'অপাৰেছন থিয়েটাৰ'ত সোমাই থকা ডাক্তৰকেইজন ওলাই আহিল। নিয়ৰৰ মাক-দেউতাকে আশাৰে তেওঁলোকলৈ চালে। উত্তৰটো শুনি তেওঁলোকৰ চকুৰে দুধাৰি চকুলো বৈ আহিল।

"হেল্ল', অনুভৱ, মোৰ অপাৰেছনটো successful হৈছে।" ❖

শিক্ষাৰ্থীৰ আখৰা-তলী

# পঢুৱৈৰ টোকা

**বিজ্ঞান মাধুৰী**

**লেখক :** অনুৰাধা দাস

**প্ৰকাশক :** অসম শিশু সাহিত্য ন্যাস, গুৱাহাটী

**তৃতীয় প্ৰকাশ :** জুন, ২০১৬ চন

**মূল্য :** ৩৩.০০ টকা

'বিজ্ঞান মাধুৰী' নামৰ কিতাপখন পঢ়ি মই বৰ আমোদ পালোঁ। এই কিতাপখনত কাহিনীৰ যোগেদি বিজ্ঞানৰ কিছুমান ৰসাল কথা অতি সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। বিজ্ঞানৰ কিছুমান নজনা কথা এই কিতাপখনৰ যোগেদি জানিব পাৰি আনন্দিত হ'লোঁ।

এই গ্ৰন্থখনৰ মোৰ আটাইতকৈ ভাল লগা কাহিনীকেইটা হ'ল—ৰুচিৰ ধেমালি, হেলিকপ্টাৰৰ দুৰ্ঘটনা আৰু পোহৰৰ খেল। ৰুচিৰ ধেমালি কাহিনীটোত ৰুচি নামৰ ছোৱালীজনীয়ে কাগজৰ নাও এখনত অলপ পানী লৈ জ্বলি থকা বাৰ্নাৰটোৰ ওপৰত দিয়া সত্বেও নাওখন জ্বলি নগ'ল, লগতে নাওখনত থকা পানীখিনি গৰম হ'ল। অভিয়ে এই কথাটো দেউতাকক কোৱাত দেউতাকে সুন্দৰভাৱে বুজাই দিলে যে, কাগজৰ নাওখনত পানী থকা বাবে নাওখনে পোৱা তাপৰ কিছু অংশ নাওখনত থকা পানীয়ে শোষণ কৰি লৈছে। পানীৰ তাপ শোষণ কৰিব পৰা ক্ষমতা খুব বেছি। ফলত কাগজখন জ্বলিবলৈ যিমানখিনি উষ্ণতা লাগে সিমানখিনি উষ্ণতা কাগজখিনিয়ে নোপোৱা বাবেই কাগজখন জ্বলা নাই। অভিয়ে দেউতাকৰ পৰা বস্তুৰ জ্বলন উষ্ণতা সম্পৰ্কে এটা নতুন কথা শিকি আনন্দিত হ'ল।

তদুপৰি 'হেলিকপ্টাৰৰ দুৰ্ঘটনা' কাহিনীটো পঢ়ি বৰ ভাল লাগিল। কাহিনীটোত টাৱাঙত হেলিকপ্টাৰ এখন দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাত নিখিলৰ দেউতাকৰ মৃত্যু হয়। নিখিলহঁতৰ ঘৰত এক শোকাকুল পৰিবেশৰ সৃষ্টি হোৱাৰ ফলত নিখিলৰ বন্ধু ৰাজৰ অৱস্থা শোচনীয় হৈ পৰিল। ৰাজৰ মাক-দেউতাকে ৰাজৰ স'তে কথা পাতি তাৰ মনটো পাতলাবলৈ চেষ্টা কৰিলে। ৰাজে দেউতাকক সুধিলে যে উৰি থকা হেলিকপ্টাৰ এখন পাহাৰত খুন্দা খালে কিয় ভাঙি-ছিঙি জ্বলি যায়। দেউতাকে তাক ক'লে,

যেতিয়া বেছি ভৰবেগৰ আকাশীযানখন খুন্দা খাই ৰৈ যায় অৰ্থাৎ তাৰ বেগ শূন্য হৈ যায়; তেতিয়া তাৰ ভৰবেগো শূন্য হৈ পৰে অৰ্থাৎ শক্তিৰ স্থানান্তৰ হয়। আকাশীযানখনে পাহাৰত যিমান জোৰত খুন্দা মাৰে তাৰ প্ৰতিক্ৰিয়াৰূপে পাহাৰখনেও হেলিকপ্টাৰখনৰ গাত সমান পৰিমাণৰ বিপৰীতমুখী বল প্ৰয়োগ কৰে। ইয়াৰ ফলত যানখন ভাঙি যায় আৰু লগতে তাপ শক্তিৰ উদ্ভৱ হয় বাবে যানখনত থকা ইন্ধনখিনিত জুই লাগি যায়। দেউতাকৰ কথা শুনি নিখিল আৰু ৰাজৰ কাৰাটে ছাৰে কোৱা কথাখিনি বুজাত সহজ হৈ পৰিল। সি বুজি পালে কিদৰে বৰফৰ ডাঠ চটা বা কেইবাখনো টাইলছ একেলগে থৈ ভাঙিবলৈ হাতখন বৰ খৰকৈ মানে বেছ দ্ৰুতবেগত আনিব লাগে। ৰাজে দেউতাকৰ ফালে চাই আনন্দৰ লগতে এটা গৌৰৱৰ হাঁহি মাৰিলে। এনে ধৰণৰ কাহিনীয়ে আমাক উৎসাহিত কৰে আৰু বিজ্ঞানৰ প্ৰতি আগ্ৰহ বঢ়ায়।

পোহৰৰ খেল কাহিনীটো পঢ়িও মোৰ বৰ ভাল লাগিল। এই কাহিনীটোত প্ৰিয়াই আন্ধাৰ কোঠাত টিভি চাই থাকোঁতে তাইৰ চকুযোৰ বেয়া লগাত কিছুপৰ জপাই দিলে। চকুযোৰ ভাল পাই উঠি 'আন্ধাৰত টিভি চালে চকু কেনেকৈ বেয়া হয়' বুলি দেউতাকক সোধাত তেওঁ ক'লে যে টিভিৰ পৰ্দাৰ পৰা পোহৰৰ ৰশ্মিবোৰ বিকিৰিত হৈ অৰ্থাৎ মাধ্যমৰ সহায় নোলোৱাকৈ সঞ্চালিত হৈ মানুহৰ চকুত সোমায়। বেছি সময় এইদৰে পোহৰৰ ৰশ্মি চকুত সোমোৱা চকুৰ বাবে ভাল নহয়। তাতে আকৌ কোঠাটো আন্ধাৰ হৈ থকাৰ কাৰণে চকুৰ মণিটো ডাঙৰ হৈ থাকে, তেতিয়া টিভিৰ পৰা অহা পোহৰ চকুত বেছিকৈ সোমায়। তাৰ পাছত প্ৰিয়াই দেউতাকক টিভিৰ ছবিবোৰৰ উজ্জ্বলতাৰ কাৰণে আৰু ছবিবোৰ যে ইমান খৰকৈ সলনি হৈ থাকে তাৰ কাৰণেও যে চকুটো বেয়া লাগে সেই কথাটো কোৱাত দেউতাকে ক'লে যে— "টিভিৰ পৰা বিকিৰিত হোৱা পোহৰৰ এই তাৰতম্য খুব খৰকৈ হয়, লগতে সেই পোহৰ আৰু আন্ধাৰ কোঠাটোৰ মাজত পোহৰৰ পাৰ্থক্য বেছি হোৱাৰ বাবে মানুহৰ চকুৰ




বিন্ধাটোও খৰকৈ নিয়ন্ত্ৰণ কৰি থাকিবলগীয়া হয়। ফলত চকুৰ চিলিয়েৰি পেশীবোৰো ভাগৰি যায়। এনেকৈ চকুৱে কষ্ট পাই থাকিলে কেতিয়াবা চকু দুটা নষ্টও হ'ব পাৰে।" প্ৰিয়াই কথাখিনি ভালদৰে বুজি ভৱিষ্যতে আন্ধাৰ কোঠাত আৰু টিভিৰ অতি ওচৰত বহি টিভি নাচাওঁ বুলি মনতে ঠিক কৰিলে।

বাকী কাহিনীবোৰো বৰ সুন্দৰ আৰু আমোদজনক। আটাইতকৈ ভাল লগা কথাটো হ'ল এই পুথিখন লেখকে নিজৰ দেশক ভালপোৱা প্ৰতিগৰাকী ল'ৰা-ছোৱালীলৈ উছৰ্গা কৰিছে। এই গ্ৰন্থখন পঢ়ি মই বৰ মুগ্ধ হ'লোঁ। এই গ্ৰন্থখনত বিজ্ঞানৰ বহুতো জানিবলগীয়া কথাৰ উল্লেখ আছে। এই গ্ৰন্থখন সৰু ল'ৰা-ছোৱালীয়ে পঢ়ি বিজ্ঞানৰ প্ৰতি আকৰ্ষিত হ'ব বুলি মই ভাবোঁ। ❖

■ **তৃষ্ণা শৰ্মা**

অষ্টম শ্ৰেণী

# গোলাপ

■ **ড্ৰিমী পৰাশৰ**
সপ্তম শ্ৰেণী

নীল আকাশৰ হেঙুলী সূৰুযৰ দৰে
তোমাৰ চাৱনিত চিক্‌মিক বিজুলী সৰে,
সদ্যস্নাতা হে নিয়ৰৰ কিনো মুকুতাৰে
শোভিতা হ'লাহি আহি?
সমীৰৰ স'তে মিলি সুবাস বিলাই
মন-চঞ্চলা কৰিলাহি,
বিমূৰ্ত মনত মূৰ্তভাৱে আহি
চুই চোৱাৰ হেঁপাহ দিলাহি জগাই
ভ্ৰমৰে গুঞ্জৰে তোমাৰ বাবেই
আনন্দেৰে গীত গায় সুললিত কৰি,
শুকুলা ডাৱৰৰ ৰঙীন আভাত,
উমি উমি জ্বলে আশাৰ পাপৰি। ❖

# প্ৰাৰ্থনা

■ **নম্ৰতা কাশ্যপ**
ষষ্ঠ শ্ৰেণী

সন্ধ্যাপৰত পঢ়া সময়ত
কৰোঁ আমি প্ৰাৰ্থনা
ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি
জ্বলাওঁ ধূপ-ধূনা।
সকলো যেন থাকে কুশলে,
কৰোঁ এই কামনা।
দূৰ কৰা মনৰ পৰা
হিংসা আৰু কপটতা
তোমাৰ ওচৰত কৰিছোঁ
কাকুতি-মিনতি
প্ৰাৰ্থনা কৰিছোঁ দিয়া যেন
আমাক সুমতি। ❖

# ফাগুন

■ **শ্যামন্তিকা মজুমদাৰ**
অষ্টম শ্ৰেণী

ফাগুন তই কেতিয়া আহিবি?
তই অহা নাই বাবে আগফালৰ
তগৰজোপালৈও কলি অহা নাই
আজি শুনিছিলোঁ গছ-পাতবোৰে কৈ থকা
'ফাগুনে, ব'হাগে বহু কথা।'
মই ৰৈ থকা বাটেৰে সোনকালে আহ
সিঁচি লৈ আহ আশাৰ বতৰা
লগতে ব'হাগৰ খবৰো আনিবি।
ফাগুন তোক ভাল পাওঁ
সেয়েহে ইমান হেঁপাহ। ❖

# মোৰ জিমি

■ **সংস্কৃতা দত্ত**
ষষ্ঠ শ্ৰেণী

মোৰ এটা কুকুৰ আছে
তাইৰ নাম জিমি
তাই খাই ভাল পায়
গৰম গৰম ৰুটী।
অচিনাকি মানুহ দেখিলে তাই
ভৌ ভৌ কৰে,
মোক দেখা পালেই তাই
মোৰ কাষতে বহে।
ৰাতিপুৱা উঠি তাই মোৰ
পিছে পিছে ঘূৰে
মই স্কুললৈ গ'লে তাই
মন মাৰি থাকে। ❖

# লতা মংগেশকাৰ

■ ধ্ৰুৱজ্যোতি নাথ
সপ্তম শ্ৰেণী



সুললিত কণ্ঠেৰে সমগ্ৰ বিশ্বৰ মানুহৰ হৃদয় জয় কৰিবলৈ সক্ষম হোৱা লতা মংগেশকাৰ ভাৰতীয় সংগীতৰ জগতখনৰ এক গুৰুত্বপূৰ্ণ নাম। ১৯২৯ চনৰ ২৮ ছেপ্টেম্বৰৰ দিনা বৰ্তমানৰ মধ্যপ্ৰদেশৰ ইন্দোৰত এটা মাৰাঠী ব্ৰাহ্মণ পৰিয়ালত লতা মংগেশকাৰৰ জন্ম হৈছিল। সেই সময়ত ইন্দোৰ ৰজাৰ অধীনস্থ অঞ্চল আছিল। লতা মংগেশকাৰৰ পিতৃ আছিল দীননাথ মংগেশকাৰ আৰু মাতৃ আছিল ছেৱান্তি মংগেশকাৰ। পিতৃ দীননাথ মংগেশকাৰে তেওঁৰ জন্মভূমি গোৱাৰ মংগেশী চহৰৰ নামেৰে নিজৰ উপাধি ৰাখিছিল। সেইবাবে তেওঁ দীননাথ মংগেশকাৰ হিচাপে পৰিচিত হৈ পৰিছিল। লতাৰ পিতৃ দীননাথ এগৰাকী অতি সুনিপুণ শাস্ত্ৰীয় সংগীতজ্ঞ আছিল। তেওঁ মাৰাঠী ভাষাৰ এগৰাকী নাট্যকাৰ আৰু বিশিষ্ট পৰিচালক আছিল। পাঁচ বছৰ বয়সতেই সেয়ে লতাই দেউতাকৰ বিভিন্ন নাটকত অভিনয় কৰাৰ সুবিধা পাইছিল। প্ৰথমতে লতাক সকলোৱে হেমা বুলি সম্বোধন কৰিছিল। পিতৃ দীননাথ মংগেশকাৰে তেওঁৰ এখন বিখ্যাত নাটক ‘ভাওবন্ধন’ৰ অন্যতম চৰিত্ৰ লতিকাৰ নামেৰে হেমাৰ নাম লতা ৰাখিছিল। তেতিয়াৰে পৰা হেমা নামৰ সলনি লতা নামটো পৰিয়ালৰ লোকৰ মাজত প্ৰচলন হ’বলৈ ধৰিছিল। লতা মংগেশকাৰ পৰিয়ালৰ আটাইতকৈ ডাঙৰ সন্তান আছিল। তেওঁৰ তলত মীনা, আশা, ঊষা আৰু হৃদয়নাথ নামেৰে চাৰিগৰাকী ভাই-ভনী আছিল। পাঁচ বছৰ বয়সতে দেউতাকৰ নাটকত অভিনয় কৰা লতা মংগেশকাৰে বিদ্যালয়তো ছাত্ৰ-ছাত্ৰীক গান গাবলৈ আৰু নাচিবলৈ শিকাইছিল।

১৯৪২ চনত লতাৰ পিতৃ দীননাথ মংগেশকাৰৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটিছিল। সেই সময়ত লতাৰ বয়স হৈছিল মাত্ৰ ১৩ বছৰ। ১৩ বছৰীয়া লতাই পিতৃৰ অবৰ্তমানত পৰিয়ালটোৰ সকলো দায়িত্ব মূৰ পাতি ল’বলগীয়া হৈছিল। দৰিদ্ৰতাৰ বাবে তেওঁ আনকি বিদ্যালয়লৈও যাব পৰা নাছিল। বিদ্যালয়ত পঢ়া-শুনা কৰাৰ কথা চিন্তা কৰাৰ সলনি লতাই পৰিয়ালটোক কিদৰে পোহপাল দিব পাৰি তাৰ চিন্তাতেই মগ্ন হৈ পৰিছিল। সেই সময়তেই লতাৰ পৰিয়ালটোক সহায় কৰিবলৈ আগ বাঢ়ি আহিছিল দীননাথ মংগেশকাৰৰ বন্ধু মাষ্টাৰ বিনায়ক। মাষ্টাৰ বিনায়ক ছবি প্ৰযোজনা সংস্থা এটাৰ স্বত্বাধিকাৰ আছিল। বিনায়কে লতাৰ প্ৰতিভাৰ কথা অনুভৱ কৰিব পাৰিছিল। বিনায়কৰ প্ৰচেষ্টাত ১৯৪৩ চনত লতাই প্ৰথমবাৰৰ বাবে এখন হিন্দী ছবিত গীত গোৱাৰ সুবিধা পাইছিল। ছবিখনৰ নাম আছিল ‘মাতা এক শপত কি’।

১৯৪৫ চনত লতাই মনত বহু আশা লৈ মুম্বাইলৈ আহিছিল। মুম্বাইত তেওঁ হিন্দুস্থানী শাস্ত্ৰীয় সংগীতৰ প্ৰখ্যাত শিল্পী ওস্তাদ আমানত আলী খানৰ অধীনত সংগীত সাধনা কৰিবলৈ আৰম্ভ কৰিছিল। মুম্বাইলৈ অহাৰ এবছৰ পাছতেই লতাই ‘আপকী সেৱা মে’ ছবিখনত ‘পা লাগুন কৰ জোৰি’ শীৰ্ষক গীতটো গোৱাৰ সুবিধা পাইছিল। মাষ্টাৰ বিনায়কে লতাক ‘বড়ী মা’ নামৰ ছবিখনতো গীত গোৱাৰ সুবিধা কৰি দিছিল।

১৯৪৭ চনত দেশ বিভাজনৰ পাছত লতাৰ সংগীতৰ গুৰু ওস্তাদ আমানত আলী খান পাকিস্তানলৈ গুচি যায়। গুৰুৰ অবৰ্তমানত লতাই আমানত খান

ছেভাচৰালে আৰু তুলসী দাস শৰ্মাৰ ওচৰত সংগীতৰ শিক্ষা গ্ৰহণ কৰিবলৈ ধৰিলে। ১৯৪৮ চনত লতাৰ পথ-প্ৰদৰ্শক মাষ্টাৰ বিনায়কৰ মৃত্যু ঘটিল। সেই সময়তে প্ৰসিদ্ধ পৰিচালক গোলাম হাইদৰে লতাক সহায় কৰিবলৈ আগ বাঢ়ি আহিল। গোলাম হাইদৰে ১৯৪৮ চনৰ মাজভাগত বলীউডৰ প্ৰখ্যাত পৰিচালক শশধৰ মুখাৰ্জীৰ সৈতে লতাক পৰিচয় কৰোৱাই দিলে। শশধৰ মুখাৰ্জীয়ে লতাৰ সংগীত শুনি মুখ কোঁচাই দিলে। তেওঁ ক'লে যে এনে বেসুৰা সংগীত কোনেও আদৰি নল'ব। তেওঁ একপ্ৰকাৰ বলপূৰ্বকভাৱে লতাক ষ্টুডিঅ'ৰ পৰা বাহিৰ কৰি দিলে। এই কথাত বাৰুকৈয়ে অপমানিত বোধ কৰিলে গোলাম হাইদৰে। লতাই কিমান দুখ পাইছিল সেয়া হয়তো নক'লেও সকলোৱে বুজি পাব। ১৯৪৯ চনত নাজিম পানি পতিয়ে সংগীত ৰচনা কৰা 'মজবুৰ' নামৰ ছবিখনত লতাই তেওঁৰ সুললিত কণ্ঠেৰে 'দিল মেৰা ত'ড়া...' গীতটি গাইছিল। গীতটোৰ লগতে ছবিখন সমগ্ৰ দেশতে ছুপাৰ হিট হৈ পৰিছিল। সেই গীতটোৱেই প্ৰথমবাৰৰ বাবে দেশবাসীৰ ওচৰত লতাক ভালদৰে পৰিচয় কৰোৱাই দিছিল। ৫০ৰ দশকত লতাই বলীউডৰ কেইবাগৰাকীও প্ৰখ্যাত সংগীত পৰিচালক ক্ৰমে অনিল বিশ্বাস, শংকৰ জয়কিষাণ, নৌচাদ আলী, এছ ডি বৰ্মন, হেমন্ত কুমাৰ, সলিল চৌধুৰী, কল্যাণজী-আনন্দজী, মদন মোহন, লক্ষ্মীকান্ত প্যাৰেলাল আদিৰ সংগীত ব্যৱস্থাপনাত বহু জনপ্ৰিয় গীত শ্ৰোতাক উপহাৰ দিবলৈ সক্ষম হৈছিল। এইসকল সংগীত পৰিচালকৰ সংগীত ব্যৱস্থাপনাত লতাই তাৰানা, বড়ী বেহেন, মীনা বাজাৰ, আফচানা, অধিৰাত, আচু, ছোটি ভাবী আদি অসংখ্য ছবিত গীত গাইছিল। ১৯৫৮ চনত মধুমতী ছবিখনত গোৱা 'আজাৰে পৰদেশী' গীতটোৰ বাবে লতাই প্ৰথমবাৰ ফিল্ম ফেয়াৰ বঁটাৰে সন্মানিত হৈছিল।

১৯৬৩ চনৰ ২৭ জানুৱাৰীৰ দিনা ভাৰত-চীন যুদ্ধৰ পটভূমিত কবি প্ৰদীপে লিখা 'য়ে মেৰে বতন কী লোগো' গীতটি লতাই পৰিবেশন কৰিছিল। সেই অনুষ্ঠানত ভাৰতৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু উপস্থিত হৈছিল। লতাৰ গীতটি শুনি নেহৰুৱে উচুপি উঠিছিল। তেওঁ লতাক হিয়া উজাৰি আশীৰ্বাদ দিছিল।

আঞ্চলিক ভাষাৰ লগতে অসমীয়া ভাষাতো লতাই কেইবাটাও কালজয়ী গীত গাইছিল। দাদা চাহেব ফাল্কে বঁটা বিজয়ী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সহযোগত লতাই অসমীয়া সংগীত জগতত অনন্য অৱদান আগ বঢ়াই থৈ গৈছে। ড° ভূপেন হাজৰিকাৰ সংগীত পৰিচালনাত লতাই 'ৰুদালি' ছবিখনৰ বাবে গোৱা 'দিল হুম হুম কৰে' গীতটিয়ে ব্যাপক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। ড° ভূপেন হাজৰিকাৰ 'এক পল' ছবিখনতো লতাই 'মে তো সংগে যাওঁ বনবাস...' গীতটিৰে সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। কোকিলকণ্ঠী গায়িকাগৰাকীক ১৯৬৯ চনত পদ্মভূষণ, ১৯৮৯ চনত দাদা চাহেব ফাল্কে বঁটা, ১৯৯৯ চনত পদ্মবিভূষণ সন্মানেৰে সন্মানিত কৰা হৈছিল। ১৯৯৭ চনত মহাৰাষ্ট্ৰ ভূষণ বঁটা, ১৯৯৯ চনত এন টি আৰ ৰাষ্ট্ৰীয় বঁটা, ২০০৯ চনত এএনআৰ ৰাষ্ট্ৰীয় বঁটা আগ বঢ়োৱা হৈছিল। ২০০১ চনত কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰক ভাৰত চৰকাৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে বিভূষিত কৰিছিল। সংগীত জীৱনত তিনিবাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ক্ৰমে ১৯৭২, ১৯৭৪ আৰু ১৯৯০ চনত লাভ কৰিবলৈ সক্ষম হৈছিল লতা মংগেশকাৰে। তদুপৰি তেওঁক ফিল্মফেয়াৰ জীৱনজোৰা সাধনা বঁটাও প্ৰদান কৰা হৈছিল। ১৯৪৮ চনৰ পৰা আশীৰ দশকলৈ পঞ্চাছ হাজাৰৰো অধিক গীত গোৱা লতা মংগেশকাৰে বাৰ্ধক্যজনিত কাৰণতেই সংগীতৰ জগতখনৰ পৰা শেহতীয়াকৈ আঁতৰি আহিল। তেওঁৰ চিৰসেউজ গীতসমূহে দেশবাসীক এতিয়াও সজীৱ তথা উদ্বুদ্ধ কৰি আহিছে। ২০২২ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে এইগৰাকী গায়িকাৰ মৃত্যু হয়। ❖

## শিক্ষাৰ্থীৰ আখৰা-তলী

# পৰিৱৰ্তন

■ ৰক্তিম তহবিলদাৰ
ষষ্ঠ শ্ৰেণী



পৰিৱৰ্তন ! এই যুগ সেই যুগ, কিমান যে হ'ল পৰিৱৰ্তন ! আগতে মানুহে চিঠি লিখি এজনে আনজনৰ খবৰ লৈছিল। কিন্তু আজিকালি মানুহে চিঠি লিখিবলৈ পাহৰি গৈছে। আজকালি মানুহে চিঠি লিখাৰ পৰিবৰ্তে ৱাট্‌ছ এপ, টুইটাৰ আদিৰ সহায়তহে এজনে আনজনৰ খবৰ লয়। আগতে মানুহে গছ-গছনিক মৰম কৰিছিল, প্ৰতিপালন কৰিছিল। আজিকালি মানুহে গছ-গছনি কাটি, বনাঞ্চল ধ্বংস কৰি ঘৰ-দুৱাৰ সজাতহে মনোনিৱেশ কৰিছে। যাৰ ফলত পৃথিৱীখন গৰম হৈছে, ৰোগীৰ সংখ্যা বাঢ়িছে। আগতে মানুহে ৰেডিঅ'ৰ আৰু বাতৰিকাকতৰ সহায়ত খবৰ-বাতৰি লৈছিল। কিন্তু আজিকালি বেছিভাগ মানুহৰ ঘৰত ৰেডিঅ' দেখিবলৈ পোৱা নাযায়। আজিকালি বহু মানুহে বাতৰিকাকত পঢ়িবলৈও এৰি পেলাইছে। আগতে নিউজ চেনেলবোৰত দেখা বাতৰিবোৰ আছিল সঠিক। কিন্তু আজিকালি নিউজ চেনেলবোৰত দেখা পোৱা আটাইবোৰ বাতৰি সঠিক নহয়। আগতে মানুহ এজনে আনজনক সহায় কৰিছিল। আজিকালি মানুহ স্বাৰ্থপৰ হৈ পৰিছে, আনক সহায় কৰা মানুহৰ সংখ্যা কমি গৈছে। কেৱল নিজৰ কথাহে ভাবে। অতীতত শিশুবোৰে সৰহ



সময় বাহিৰত খেলা-ধূলা কৰি কটাইছিল। কিন্তু আজিকালি শিশুবোৰে বেছিভাগ সময় ম'বাইলতে ব্যস্ত হৈ থকা দেখা যায়। আগতে মানুহে বহুত সাধু কিতাপ, গল্পৰ কিতাপ, উপন্যাস আদি পঢ়িছিল। কিন্তু আজিকালি মানুহে বাহিৰা কিতাপ পঢ়িবলৈ এৰি পেলাইছে। বহু মানুহে আজিকালি ম'বাইলটোহে চাই থাকে। আজিকালি যদি মানুহক সোধা হয় বিষ্ণুপ্ৰসাদ ৰাভা কোন আছিল? তেতিয়া ক'ব—"ৰ'বা গুগলত চাওঁ।" এয়াই হ'ল আজিৰ মানুহ।

অতীত কালত মানুহে পৰিশ্ৰম কৰি টকা উপাৰ্জন কৰিছিল। কিন্তু আজিকালি মানুহে কম পৰিশ্ৰমেৰে অধিক টকা উপাৰ্জন কৰিব বিচাৰে। পৈতৃক সম্পত্তিৰ সহায়ত জীয়াই থাকিবলৈ বিচাৰে। অতীতত মানুহৰ যাতায়াত আছিল গৰুগাড়ী, ম'হগাড়ী, চাইকেল আদি। কিন্তু এই ডিজিটেল যুগত মানুহৰ যাতায়াত হৈছে—মটৰ চাইকেল, গাড়ী, অট'ৰিক্সা আদি। যাৰ ফলত শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণ বৃদ্ধি হৈছে আৰু মানুহ এলেহুৱা হৈ পৰিছে আৰু বহুতো পৰিৱৰ্তন হৈছে। গণিব নোৱাৰি।

পৰিৱৰ্তন হোৱাৰ ফলত বহুতো ভালো হৈছে, বেয়াও হৈছে। পৰিৱৰ্তন হ'ব লাগে, কিন্তু প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিহে পৰিৱৰ্তন হ'ব লাগে। সময় যিমানে আগ বাঢ়িছে পৰিৱৰ্তনো সিমানে হৈছে। ❖

# মালিতা

■ অপৰাজিতা বৰা

মানুহ কল্পনাপ্ৰৱণ প্ৰাণী আৰু এই কল্পনাপ্ৰৱণতা আদিম মানুহজনৰ পৰা আৰম্ভ কৰি সভ্যতাৰ চূড়ান্ত শিখৰত উপনীত হোৱা মানুহজনৰ অন্তৰতো বিদ্যমান। মানৱ অনুভূতিৰ এই সূক্ষ্ম স্পন্দনৰ ভিতৰেদিয়েই ভাষা, কাব্য, সাহিত্যৰ জন্ম হৈছে। মানুহৰ আত্মপ্ৰকাশ আৰু আত্মপ্ৰসাৰৰ হেঁপাহৰ ফলশ্ৰুতিতেই গীত-মাতৰ সৃষ্টি হৈছে বুলিব পাৰি। এইদৰে পুৰুষানুক্ৰমে বহুতো গীত-মাত অনেক যুগ অতিক্ৰম কৰি একোটা জাতিৰ মাজত জীয়াই থাকে।

মালিতা বা আখ্যান-গীত লোক-সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংগ। এইবিধ গীত কেৱল অসমৰে নহয়, পৃথিৱীৰ জাতি-জনজাতিসকলৰ মাজত অতি জনপ্ৰিয়। মালিতা শব্দটো অসমীয়া মালা শব্দৰ পৰা সৃষ্টি হৈছে বুলি পণ্ডিতসকলে কয়। ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাৱে গাঁথি থোৱা কাহিনীযুক্ত গীতেই মালিতা। পণ্ডিতসকলে মালিতাৰ বিভিন্ন সংজ্ঞা আগ বঢ়াইছে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক জিএল কিট্ৰেজৰ মতে মালিতা হ'ল 'যি গীতে কোনো কাহিনী কয় বা আন কথাত যি কাহিনী গীতেৰে কোৱা হয় সিয়েই মালিতা।' মালিতা বা আখ্যান-গীতক ইংৰাজীত 'বেলাড' বুলি কোৱা হয়। অসমীয়াত মালিতাক বুজাবলৈ 'গীত' শব্দটোৰে ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণস্বৰূপে, বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত আদি। পৃথিৱীৰ বিভিন্ন ভাষাৰ সমাজত মালিতা আছে, কিন্তু এই গীতবোৰৰ ৰচয়িতাৰ নাম পোৱা নাযায়। কেৱল অসমীয়া ভাষাতে নহয়, বিশ্বৰ কোনো ভাষাৰেই মালিতাবোৰত ৰচকৰ নাম উল্লেখ নাই। সেইদৰে বৰ্ণনাত উল্লেখ কৰা কোনো কোনো তথ্য আৰু কাহিনীৰ পৰা ৰচনাৰ সময় এটা অনুমান কৰিব পাৰিলেও সঠিক সময় নিৰ্ণয় কৰিব নোৱাৰি। মালিতা যিহেতু কোনো সচেতন কবিৰ ৰচনা নহয়, যিহেতু তাত কবিৰ নাম-ঠিকনা বা ভণিতা নাথাকে আৰু যিহেতু মুখ বাগৰি গৈ থাকোঁতে তাৰ ভাষা আৰু ৰূপৰ পৰিৱৰ্তন ঘটি গৈ থাকে, সেয়ে বেলাডৰ কাল নিৰ্ণয় কৰা এটা জটিল সমস্যা। অৱশ্যে বুৰঞ্জীমূলক মালিতাবোৰৰ এটা মোটামুটি সময় নিৰূপণ কৰিব পাৰি। তেনেদৰে কি পৰিস্থিতিত মালিতাৰ সৃষ্টি হৈছিল, সেই বিষয়েও পণ্ডিতসকল একমত নহয়। কোনো কোনো পণ্ডিতৰ মতে মালিতাবোৰ ৰাজহুৱা উচ্ছ্বাসৰ উমৈহতীয়া সৃষ্টি। এই গীতবোৰ জাকৰুৱাকৈ ৰচনা কৰা হৈছিল। কিন্তু এই কথা ঠিক যে গীতবোৰ সমূহীয়া ভাৱৰ অভিব্যক্তি হ'লেও, মূল ৰচয়িতাজন নিশ্চয় কোনোবা নিৰ্দিষ্ট ব্যক্তি। কিয়নো এজন বিশেষ লোক নোহোৱাকৈ জনসাধাৰণে জাকৰুৱাকৈ একোটা গীত ৰচনা কৰাটো সম্ভৱ নহয়। এইবোৰ কাৰণতে কোনে, কেতিয়া মালিতা ৰচনা কৰিছিল তাক সঠিককৈ জনা নাযায়। কিন্তু সি যিয়েই নহওক মালিতাবোৰৰ এক সাৰ্বজনীন আবেদন অতীতৰে পৰা আজিকোপতি আছে।

মালিতাবোৰ সাধাৰণতে আখ্যানধৰ্মী। ইয়াত একো একোটা কাহিনী বৰ্ণনা বা পৰিৱেশন কৰা হয়। কাহিনী বৰ্ণাবলৈ ৰচয়িতাসকলে সাধাৰণ লোকৰ মুখৰ ভাব আৰু ভাষা ব্যৱহাৰ কৰিছিল। অকৃত্ৰিম ভাব-ভাষাত লিখা হোৱা বাবেই গীতবোৰ চহা লোকৰ প্ৰাণৰ ওচৰ চপা আছিল। যদিওবা গীতবোৰৰ ভাব-ভাষা সহজ-সৰল অনাড়ম্বৰ আৰু প্ৰকাশভংগী পোনপটীয়া আছিল তথাপি সাহিত্যিক গুণ বিবৰ্জিত নাছিল। গীতবোৰ সুৰ লগাই গোৱা হয় বাবে গীতিধৰ্মিতা মালিতাৰ এটা প্ৰধান লক্ষণ। যদিও গীতিধৰ্মিতা মালিতাৰ প্ৰধান লক্ষণ কিন্তু দৰাচলতে কাহিনীহে ইয়াৰ প্ৰাণ বুলি ক'ব পাৰি। ইয়াৰ কাহিনীত চহা লোকৰ ভাব-আবেগ, প্ৰেম-প্ৰীতি, হিংসা-অসূয়া, ঘৃণা-পুতৌ আদি ভাববোৰৰ সুন্দৰ প্ৰতিফলন ঘটে। গীতবোৰ ব্যক্তিগতভাৱে গোৱাৰ উপৰি সামূহিকভাৱেও গোৱা হয়। কিছুমান গীত যে একাধিক গায়কে লগ লাগি গাইছিল

তাৰ প্ৰমাণ দিয়ে গীতসমূহৰ ভিতৰত দোহাৰি গাবৰ কাৰণে সংযোগ কৰি দিয়া পদসমূহে। হয়তো এজনে গীতৰ বৰ্ণনাসমূহ আবৃত্তি কৰি যায় আৰু মাজে মাজে লগৰকেইজনে একোফাকি পদ ধুৰা বা দিহাৰ দৰে দোহাৰি গায়। সেয়ে বহু মালিতাত ঘোষাৰ পুনৰাবৃত্তি ঘটা দেখা যায়।

অসমীয়া মালিতাবোৰ পদ, ছবি, দুলড়ী, ঝুণা আদি বিভিন্ন ছন্দত লিখা হৈছিল। একেটা গীত সাধাৰণতে একেটা ছন্দতে ৰচিত হৈছিল। ছন্দৰ মিল ঘটাবৰ কাৰণে বহু সময়ত ৰচকসকলে কিছুমান অপ্ৰাসংগিক অৰ্থহীন কথাও যোগ দিছিল। উদাহৰণস্বৰূপে, 'বৰফুকনৰ গীত'ত—'এ দেউ ৰ'ল,/পাছদিনা ৰূপসিং বিহানেই গ'ল/। ইয়াত 'এ দেউ ৰ'ল' অংশটি অপ্ৰাসংগিক, ঘটনাৰ বিবৰণৰ লগত তাৰ কোনো সম্বন্ধ দেখা পোৱা নাযায়।

পণ্ডিতসকলে বিষয়বস্তুৰ আধাৰত ভিত্তি কৰি অসমীয়া আখ্যান গীত বা মালিতাসমূহক কেইবাটিও ভাগত ভাগ কৰিছে। সেইবোৰ হ'ল—বুৰঞ্জীমূলক মালিতা, জনশ্ৰুতিমূলক মালিতা আৰু কৃত্ৰিম বা সাহিত্যিক মালিতা। বুৰঞ্জীমূলক মালিতাৰ ভিতৰত 'নাহৰৰ গীত'টোৱেই এতিয়ালৈকে উদ্ধাৰ হোৱা মালিতাৰ ভিতৰত সৰ্বপ্ৰাচীন গীত বুলি কোৱা হৈছে। সেইদৰে 'ফুলকোঁৱৰৰ গীত' আৰু 'মণিকোঁৱৰৰ গীত' জনশ্ৰুতিমূলক মালিতাৰ নিদৰ্শন। আধুনিক বা কৃত্ৰিম মালিতাৰ শাৰীত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধনবৰ ৰতনী', 'ৰতনীৰ বেজাৰ', চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা', 'বনকুঁৱৰী' আদি উল্লেখযোগ্য কৃত্ৰিম মালিতা। ইংৰাজ কবি কীট্‌ছৰ 'La Belle Dame Sans Merci', টেনিচনৰ 'Teh Revenge' আদি বিখ্যাত কৃত্ৰিম মালিতা।

আখ্যান গীত বা মালিতাবোৰ বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ব্যাখ্যা-বিশ্লেষণ কৰিলে অতীত অসমৰ সমাজ-সভ্যতাৰ বহু বতৰা পোৱা যাব। কাহিনীভাগৰ উপৰি গীতবোৰৰ শব্দ, বাক্যাংশই আমাৰ অতীতৰ আচাৰ-আচৰণ, বিশ্বাস, ধ্যান-ধাৰণা আদি বহু কথা বহন কৰি আছে। ❖

**নাহৰৰ গীতৰ এটা অংশ**

*আইনো আই বুলি নাহৰে মাতিলে*
*বুঢ়ীমাকৰ মুখলৈ চাই,*
*কেলেই মাতিলি নাহৰ চেনামুৰা*
*চৰুতো পঁইতা নাই।*
*আয়ে নেৰাখিলে বায়ে নেৰাখিলে*
*নেৰাখিলে মূৰৰে চুলি,*
*দেৱা কৰ্কৰা যাচোঁতা নাইকিয়া*
*ফুলতে মাউৰা বুলি।*
*ভাতে ৰান্ধি দিয়া খাওঁ মই বুঢ়ী আই*
*পানী আনি দিয়া খাওঁ,*
*লগৰ সমনীয়া যায় মহং বেহাবলৈ*
*ময়ো বেহাবলৈ যাওঁ।*

*(এতিয়ালৈকে উদ্ধাৰ হোৱা বুৰঞ্জীমূলক গীতৰ ভিতৰত নাহৰৰ গীতটোৱেই বোধহয় সৰ্বপ্ৰাচীন।)*

***লক্ষ্মীনাথ বেজবৰুৱা বিৰচিত 'ধনবৰ আৰু ৰতনী' নামৰ কৃত্ৰিম মালিতাটোৰ কিছু অংশ***

*পৰ্বতে পৰ্বতে বগাব পাৰো মই,*
*লতা বগাবলৈ টান,*
*ৰতনী সোণাইকে বৰাব পাৰো মই*
*মাকক বুজাবলৈ টান।*
*বগাকৈ বগলী উৰে কেনে কৰি*
*পাখিতে পাখি লগাই,*
*কাৰেনো উৰিব ধনবৰ দুখীয়া*
*ৰতনী লগতে নাই।*
*ফেনেফোটোকাৰে বৰলুইত বৈছে,*
*বুকুত লৈ খাগৰিৰ জাঁজি,*
*বুকু উদং কৰি ৰতনী গ'লে মোৰ,*
*কাকে লৈ বৈ যাম মই আজি?*

# বিছুৱা



অসমীয়াৰ আদৰৰ ব'হাগ বিহুক অসমত বাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলে বিছুৱা নামেৰে উদ্‌যাপন কৰে। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত বিছুৱা উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱ তিনিদিনীয়াকৈ পালন কৰা হয়। বিছুৱা উৎসৱৰ প্ৰথম দিনটোত ৰাভাসকলে 'জাব্ৰে ৰুগুকায়' নামেৰে পাহাৰৰ পৰা সংগ্ৰহ কৰি অনা কেইবিধমান ঔষধি গছৰ ডাল, পাত, আলু একেলগে জোঁট জোঁটকৈ বান্ধি সন্ধিয়া সময়ত ঘৰ, গোহালি, ভঁৰাল ঘৰ, গাহৰি-কুকুৰাৰ গঁৰাল আদি সকলোতে বান্ধি অথবা গুঁজি থয়। সেইদিনা দৰঙৰ টোটলা ৰাভাসকলে বাসুদেৱ আৰু শুবচনীৰ নামত পূজা এভাগ আগ বঢ়ায়। ৰাভাসকলে ঘৰত গুঁজি থোৱা 'জাব্ৰে ৰুগুকায়ে' বতাহ-ধুমুহা, শিলাবৃষ্টিৰ পৰা সকলোকে ৰক্ষা কৰে বুলি বিশ্বাস কৰে।

চ'ত মাহৰ শেষৰ দিনা ৰাভাসকলে আগদিনাই প্ৰস্তুত কৰি থোৱা 'জাব্ৰে'ৰে গৰু খেদি আনি ছিমুককাৰা জোঙা (এবিধ বনৰীয়া থুৰিপাত), কাঁচকল, লাও, কোমোৰা, বেঙেনাৰ টুকুৰাৰে তৈয়াৰী মালাধাৰিৰ পৰা টুকুৰাবোৰ উলিয়াই গৰুৰ গালৈ দলিয়াই দিয়ে। ইয়াৰ পাছত গৰুক নৈ বা বিললৈ নি গা ধুৱায়। তাৰ পাছত কলপাতত বান্ধি নিয়া নিমখৰ টোপোলা গৰুক খুৱাই নতুন পঘাৰে বান্ধে। ৰাভাসকলৰ বিশ্বাস যে জাব্ৰেৰে গৰু কোবালে আৰু লাও-বেঙেনা দলিয়ালে বছৰটোৰ বাবে গৰুৰ চুটখৰে পোৱা, চব্‌কা আদিৰ দৰে বেমাৰ-আজাৰ নহয়।

আনহাতে ব'হাগ মাহৰ প্ৰথম দিনটোৰ পুৱাতে উঠি গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে বাহী চোতাল সাৰি পৰিষ্কাৰ কৰি গোহালিৰ পৰা গোবৰ লৈ সেই গোবৰত বাঢ়নী এটাঁৰ আৰু দহিকটা সূতা একোছা দি পদূলিমুখত পেলাই থৈ আহে। এনেদৰে প্ৰতীকী ৰূপত ঘৰৰ গৃহস্থনীয়ে দুই-এপদ পুৰণি বস্তু দলিয়াই দি পুৰণি বছৰক বিদায় দিয়ে। তাৰ পাছত গা-পা ধুই নতুন কাপোৰ পিন্ধি ভঁৰাল ঘৰ বা বৰঘৰৰ লাইখুঁটাত আসন পাতি পূৰ্বপুৰুষৰ নামত পৰম্পৰাগত পানীয় আৰু ভাত আগ বঢ়ায়।

উল্লেখযোগ্য যে ৰাভাসকলে আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতিদল বা কাতিগাছা উদ্‌যাপন কৰে। আনহাতে পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিত দুমাছি উদ্‌যাপন কৰে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

### অতি ভক্তি চোৰৰ লক্ষণ


চোৰবোৰ দেখাত বৰ শান্ত যেন লাগিলেও আচলতে সিহঁত বৰ চতুৰ, বুদ্ধিমান। বাহিৰত শান্ত, ভদ্ৰ যেন দেখুৱাই সিহঁতে নিজৰ স্বৰূপ লুকুৱাই ৰাখে। সংসাৰত এনে কিছুমান লোক থাকে, যিবিলাকে অতি মাত্ৰা ভক্তিৰ ভাব দেখুৱায়, কিন্তু প্ৰকৃততে তেওঁলোক বৰ সৎ লোক নহয়। ইয়াৰ পৰা ইয়াক বুজা যায় যে, অতি ভাল ভাব দেখুওৱা মানুহৰ গাত চোৰৰ লক্ষণ থাকে। সেইবাবে অপ্ৰয়োজনীয়ভাৱে নিজক সাধুৰূপে প্ৰতিপন্ন কৰিবলৈ যোৱা লোকক সহজে বিশ্বাস কৰা উচিত নহয়।



**প্ৰায়োগিক বাক্য : মহেন্দ্ৰক বৰ ভাল বুলি ভাবি আছিলোঁ আমি, পাছে সি প্ৰবঞ্চকহে ওলাল। মানুহে মিছাতে নকয়—অতি ভক্তি চোৰৰ লক্ষণ। ❖**

### পৰৰ ওপৰত খোৱা ভটীয়া নাৱত যোৱা

নাও বোৱা কামটো সহজ নহয়; ই বৰ কষ্টকৰ কাম। কিন্তু যদি ভটিয়নী সোঁতত নাও বোৱা হয়, তেন্তে সি সহজ কাম হৈ পৰে। কিয়নো নাওখন আগ বঢ়াত পানীৰ সোঁতেও সহায় কৰে। এনে অৱস্থাত নাৱৰীয়াই নাওখন ঠিকমতে ৰাখি লাহে লাহে বঠা মাৰিলেও নাও বেগাই চলে। এই যোজনাটোৰ অৰ্থ এয়াই যে কিছুমান লোকে আনৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰিয়েই চলে। তেওঁলোকে নিশ্চিন্ত মনে জীৱন নিয়াব পাৰে। নিজে দুখ-কষ্ট নকৰাকৈ আনৰ ওপৰত নিৰ্ভৰ কৰি ওপৰতে চলা মানুহক বুজাবলৈ এই যোজনাফাকি ব্যৱহাৰ কৰা হয়।



**প্ৰায়োগিক বাক্য : প্ৰদীপৰ ওপৰত মোৰ কোনো আস্থা নাই; সি হ'ল পৰৰ ওপৰত খোৱা ভটীয়া নাৱত যোৱা ধৰণৰ মানুহ; তাতকৈ দায়িত্বটো ৰমেশকে দে, সিহে কৰ্মী ল'ৰা। ❖**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| মিতব্যয়িতা | economy | বিদ্যুৎ কোষ | electric cell |
| ভক্ষ্যণীয় | edible | যোগ্য, উপযুক্ত | eligible |
| সংস্কৰণ | edition | যোগ্যতা | eligibility |
| সম্পাদক | editor | আঁতৰাই থোৱা | elimination |
| বুনিয়াদী শিক্ষা | basic education | সহ পলায়ন | elope |
| সামাজিক শিক্ষা | social education | বান্ধ, মথাউৰি | embankment |
| প্ৰাথমিক শিক্ষা | elementary education | দূতাবাস | embassy |
| মাধ্যমিক শিক্ষা | secondary education | আত্মসাৎ | embezzlement |
| দক্ষতা, নৈপুণ্য | efficiency | সন্নিৱিষ্ট, সংগঠিত | embodied |
| নিৰ্বাচন | election | জৰুৰী | urgent |
| নিৰ্বাচনী বিষয়া | election officer | কৰ্মচাৰী | employee |
| নিৰ্বাচক | elector | বৃত্তি, পেছা | profession |
| ভোটাৰ তালিকা | electoral roll | ক্ষমতা দিয়া | empower |
| বিদ্যুৎ | electricity | অধিনিয়ম, আইন গ্ৰহণ | enactment |
| | | বেদখল | encroachment |
| | | অনুমোদন | endorsement ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ পৰা)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ ঔষধি গছ



**ঢেঁকীয়া :** ইংৰাজী নাম : Fern, বৈজ্ঞানিক নাম : *Diplazium esculentum* : ঢেঁকীয়া শাক আমাৰ সকলোৰে পৰিচিত খাদ্য। ই এবিধ তৃণজাতীয় বনৰীয়া উদ্ভিদ। পৃথিৱীত প্ৰায় দহ হাজাৰমান ঢেঁকীয়াৰ প্ৰজাতি আছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলত ৫বিধমান ঢেঁকীয়াহে উপলব্ধ। উল্লেখ্য যে ঢেঁকীয়াৰ মাত্ৰ কেইটামান প্ৰজাতিহে খোৱাৰ বাবে উপযুক্ত। ইয়াৰ উপৰি এছিয়া আৰু ওছেনিয়াত এই উদ্ভিদ পোৱা যায়। ঢেঁকীয়া এবিধ এথ্ৰিয়েচিয়া (Athyriaceae) পৰিয়ালৰ অন্তৰ্গত বহুবৰ্ষজীৱী উদ্ভিদ। ইয়াৰ দীঘল বাদামী ৰঙৰ ডাল থাকে আৰু ডালৰ গুৰি ক'লা তথা চুটি খোলাৰে আবৃত। ঢেঁকীয়াৰ কুমলীয়া আগসমূহ ভাজি বা চালাড প্ৰস্তুত কৰি খোৱা হয়। ঢেঁকীয়াত প্ৰ'টিন, ভিটামিন-এ, ভিটামিন-বি কমপ্লেক্স, ভিটামিন-চি, ভিটামিন-ই, কেলছিয়াম, আইৰন, ফছফৰাছ ইত্যাদি যথেষ্ট পৰিমাণে পোৱা যায়। বিভিন্ন ধৰণৰ ৰোগ, যেনে—লিভাৰৰ সমস্যা, জণ্ডিছ, ভাইৰাছজনিত ৰোগ, শ্বাসজনিত ৰোগ, হাঁওফাঁওৰ কৰ্কট ৰোগ, বহুমূত্ৰ কোষ্ঠকাঠিন্য, চকুৰ সমস্যা, শাৰীৰিক দুৰ্বলতা ইত্যাদিত ঢেঁকীয়া শাক ব্যৱহাৰ কৰিলে যথেষ্ট পৰিমাণে উপশম পোৱা যায়। ❖



**টেঙামৰা বা মেচেকাটেঙা :** ইংৰাজী নাম : Roselle, বৈজ্ঞানিক নাম : *Hibiscus sabdariffa* : টেঙামৰা হৈছে পশ্চিম আফ্ৰিকা মূলৰ এবিধ গুল্মজাতীয় উদ্ভিদ। টেঙামৰাৰ গছ প্ৰায় ২-২.৫ মিটাৰ পৰ্য্যন্ত ওখ হয়। ইয়াৰ ফুলৰ প্ৰতিটো পাহিৰ গুৰি অংশত গাঢ় ৰঙৰ ফুট থাকে। ইয়াৰ ফল আৰু পাতবোৰ সামান্য টেঙা সোৱাদযুক্ত হয়। অসমকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্য আৰু অন্যান্য দেশসমূহত টেঙামৰাৰ পাত আৰু পূৰঠ ফল খাদ্য হিচাপে ব্যৱহাৰ কৰা হয়। টেঙামৰাৰ শুকুৱাই ৰখা ফলৰ পৰা ঔষধি পানীয় প্ৰস্তুত কৰা হয়। এই পানীয়ই উচ্চ ৰক্তচাপ কমোৱাত সহায় কৰে বুলি প্ৰমাণ পোৱা গৈছে। টেঙামৰা ফলৰ পৰা জাম, জেলী আৰু খাদ্যত ব্যৱহাৰ কৰা ৰং প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰি টেঙমৰা গছৰ পাতৰ ৰসে হৃদৰোগ প্ৰতিৰোধ কৰে, দৃষ্টিশক্তি বঢ়ায়, পেটৰ বিষ উপশম কৰে, গাৰ ছাল নিমজ কৰে আৰু আভোক দূৰ কৰে। টেঙামৰাত ভিটামিন-চি অধিক পৰিমাণে থাকে বাবে শৰীৰৰ বাবে উপকাৰী। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা


আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## বিশ্ব সাধুকথা দিৱস




প্ৰতি বছৰৰ ২০ মাৰ্চৰ দিনটোক বিশ্ব সাধুকথা দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ আৰম্ভণি হৈছিল ছুইডেনত ১৯৯১ চনত। তেতিয়া ইয়াৰ নাম আছিল 'ৰাষ্ট্ৰীয় সাধুকথাৰ দিন'। ছুইডিছ ভাষাত 'আল্লা বোৰাট্ৰাৰছ ডেগ' অৰ্থাৎ সাধুকথাৰ দিন। ১৯৯১ চনৰ ২০ মাৰ্চৰ দিনা ছুইডেনৰ কেইখনমান ঠাইত সাধুকথাৰ অনুষ্ঠান আয়োজন কৰি এই দিনটো উদ্যাপন কৰিবলৈ আৰম্ভ কৰা হৈছিল। ১৯৯৭ চনত অষ্ট্ৰেলিয়াৰ পাৰ্থত পাঁচ সপ্তাহ জোৰা সাধুকথা উদ্যাপনৰ আয়োজন কৰি তাক আন্তৰ্জাতিক দিৱসৰ ৰূপ দিয়া হয়। একে সময়তে মেক্সিকো আৰু দক্ষিণ আমেৰিকাৰ কেইবাখনো দেশত ২০ মাৰ্চ দিনটো ৰাষ্ট্ৰীয় সাধু কথকসকলৰ ৰাষ্ট্ৰীয় দিৱসৰূপে উদ্যাপন কৰা হয়। ২০০২ চনত নৰৱে, ডেনমাৰ্ক, ফিনলেণ্ড আৰু এষ্ট'নিয়া; ২০০৩ চনত কানাডা আৰু অন্যান্য দেশত 'বিশ্ব সাধুকথাৰ দিন' উদ্যাপন কৰা হয়। ২০০৬ চনত পাঁচখন মহাদেশৰ ২৫ খন দেশত এই দিনটো উদ্যাপন কৰা হয়। ২০০৯ চনত 'বিশ্ব সাধুকথাৰ দিন' ইউৰোপ, এছিয়া, আফ্ৰিকা, উত্তৰ আমেৰিকা আৰু অষ্ট্ৰেলিয়া মহাদেশত উদ্যাপিত হয়। আজিকালি প্ৰতি বছৰে ২০ মাৰ্চত সমগ্ৰ বিশ্বতে একো একোটা বিষয়ত সাধুকথাৰ দিৱস পালন কৰা হয়। ❖

## মটৰ চাইকেলৰ আৱিষ্কাৰ



প্ৰথম অৱস্থাত মটৰ চাইকেল আছিল ইঞ্জিনেৰে চালিত একপ্ৰকাৰ বাইচাইকেল। ১৮৬৮ চনত ফ্ৰান্সত প্ৰথম ভাপচালিত মটৰ চাইকেল সাজি উলিওৱা হৈছিল। ১৮৬৯ চনত আমেৰিকাতো এনে ধৰণৰ মটৰ চাইকেলৰ প্ৰচলন হৈছিল। ১৮৮৫ চনত উইলহেল্ম ডেইমলাৰ (Wilhelm Daimler) আৰু গ'টলিয়েব ডেইমলাৰ (Gotlieb Daimler) নামৰ দুজন জাৰ্মান প্ৰযুক্তিবিদে পেট্ৰ'লচালিত আৰু অন্তৰ্দহন ইঞ্জিনযুক্ত প্ৰথমখন মটৰ চাইকেল সাজি উলিয়ায়। এই মটৰ চাইকেলখনৰ নাম আছিল 'পেট্ৰ'লিয়াম ৰেইটৰেগন'। প্ৰথম বাণিজ্যিক মটৰ চাইকেলো তিনিজন জাৰ্মান লোকেই নিৰ্মাণ কৰে। ১৮৯৪ চনত জাৰ্মানীৰ হেনৰিখ হিল্ডেব্ৰেণ্ড (Heinrich Hildebrand), উইলহেল্ম হিল্ডেব্ৰেণ্ড (Wilhelm Hildebrand) আৰু এলইছ উল্ফ্‌মুলাৰে (Alois Wolfmuller) প্ৰতিষ্ঠা কৰা হিল্ডেব্ৰেণ্ড এণ্ড উল্ফ্‌মুলাৰ কোম্পানীয়ে

প্ৰথমবাৰৰ বাবে পেট্ৰ'লচালিত মটৰ চাইকেলৰ বাণিজ্যিক নিৰ্মাণ আৰম্ভ কৰে। তাৰ পাছৰ পৰা মটৰ চাইকেল স্থল পৰিবহণৰ অন্যতন যান হিচাপে পৰিগণিত হৈ পৰে। প্ৰথম মহাসমৰলৈকে পৃথিৱীৰ সৰ্ববৃহৎ মটৰ চাইকেল নিৰ্মাতা প্ৰতিষ্ঠানটোৰ আছিল ইণ্ডিয়ান। তেওঁলোকে প্ৰতিবছৰে ২০ হাজাৰ মটৰ চাইকেল নিৰ্মাণ কৰিছিল। তাৰ পাছত হাৰ্লে ডেভিদছন, ডি কে ডব্লিউ, বিএছএ গ্ৰুপ, এনএছইউ আদি প্ৰতিষ্ঠানে এই ক্ষেত্ৰত শীৰ্ষস্থান অধিকাৰ কৰে। মটৰ চাইকেল নিৰ্মাণ কৰা এতিয়াৰ প্ৰধান প্ৰতিষ্ঠানসমূহ হ'ল জাপানী কোম্পানী হোণ্ডা, কাৱাছাকি, ছুজুকি, য়ামাহা আদি। ভাৰতত হিৰো, বাজাজ, টিভিএছ মটৰছ আদি প্ৰতিষ্ঠানেও উন্নত মানৰ মটৰ চাইকেল নিৰ্মাণ কৰি আছে।

মটৰ চাইকেলৰ পাছত (১৮৯৭) স্কুটাৰৰ নিৰ্মাণ আৰম্ভ হয়। কুৰি শতিকাৰ প্ৰথমভাগত স্কুটাৰ বেছ জনপ্ৰিয় হৈ পৰে। অৱশ্যে পৰৱৰ্তী সময়ত স্কুটাৰৰ জনপ্ৰিয়তা কমি আহে। ❖

## ছামুৰাইসকল কোন?



ছামুৰাইসকল প্ৰাচীন জাপানৰ এক যোদ্ধা জাতি। জাপানী ভাষাত ছামুৰাই শব্দৰ অৰ্থ হ'ল, 'যি কৰ্তব্য পালন কৰে।' ছামুৰাইসকলৰ আৰু এটা স্বল্প প্ৰচলিত নাম আছে— 'বুচি', অৰ্থাৎ, যোদ্ধা জাতি।

জন্মসূত্ৰেই কোনো লোক ছামুৰাই হ'ব নোৱাৰে। প্ৰকৃত ছামুৰাইৰ কিছুমান বিশেষত্ব থাকে। সেই বিশেষ গুণ আৰু ক্ষমতা অৰ্জন কৰিব পাৰিলেহে তেওঁক ছামুৰাই বুলি কোৱা হয়।

ইতিহাসত, ৯৩০ চনৰ শেষৰ ফালে জাপানত সৰ্বপ্ৰথম এটি বিশেষ যোদ্ধা জাতিৰ উল্লেখ পোৱা যায়। অৱশ্যে তাৰো আগতে চতুৰ্থ আৰু সপ্তম শতিকাত জাপানৰ কিছু কিছু অঞ্চলত তেওঁলোকৰ সন্ধান পোৱা গৈছিল। ৯৩০ চনমানত এটি ক্ষমতাশালী যোদ্ধা জাতি হিচাপে ছামুৰাইসকলে নিজৰ অস্তিত্ব ঘোষণা কৰে।

শ্ৰেষ্ঠ ছামুৰাই যোদ্ধাসকলে অনেক চিন্তা আৰু পৰিশ্ৰমৰ যোগেদি জাপানৰ সমৰকলাক উন্নত আৰু পৰিশীলিত কৰে। তেওঁলোকে সমৰকলাক তিনিটা শ্ৰেণীত ভাগ কৰিছিল : হত্যাৰ মাধ্যমেৰে আক্ৰমণ প্ৰতিৰোধ, আঘাতৰ মাধ্যমেৰে আক্ৰমণ প্ৰতিৰোধ আৰু হত্যা বা আঘাত অবিহনেই আক্ৰমণ প্ৰতিৰোধ। ছামুৰাইসকলে তৰোৱাল চালনা, জুডো আৰু ধনুৰ্বিদ্যাক সমৰকলাৰ অন্তৰ্ভুক্ত কৰি লৈছিল। তেওঁলোক হিংসুক নাছিল। ❖

*উৎস : ২৫১ কি কিয় কেনেকৈ, শান্তনু কৌশিক বৰুৱা।*

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ অনুক্ৰমসমূহৰ খালী ঠাইত কি বহিব?

i) 4, 12, 36, —

a) 72 b) 108 c) 112 d) 136

ii) 7, 18, 29, 40, —

a) 41 b) 50 c) 51 d) 60

iii) 1, 10, 2, 20, 3, 30, 4, 40, —

a) 50 b) 6 c) 160 d) 5

iv) 1, 4, 3, 16, 5, 36, —, 64

a) 6 b) 7 c) 49 d) 8

v) 16, 33, 50, 67, ——

a) 83 b) 85 c) 79 d) 84

vi) A, P, B, Q, C, R, —

a) D b) S c) E d) T

vii) AZ, CX, FU, —


a) IR b) IV c) JQ d) KP

viii) CDF, DEG, EFH, —

a) FGH b) FGI c) GHJ d) EFI


2. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

i)




a) 235 b) 141 c) 144 d) 188

ii)




a) 34 b) 20 c) 17 d) 26

3. DANGEROUS শব্দটোৰ আখৰবোৰেৰে তলৰ কোনটো শব্দ গঠন কৰিব পাৰি?

a) STRANGER  b) DRAGON  c) GENERATE  d) ROADS

4. 15 জন মানুহৰ 7 জনে ফৰাচী ভাষা পঢ়িব পাৰে, 8 জনে ইংৰাজী পঢ়িব জানে আৰু 3 জনে দুয়োটাৰ এটাও পঢ়িব নাজানে। কিমানজনে দুয়োটা ভাষা পঢ়িব পাৰে?

a) 0  b) 3  c) 4  d) 5

5. এটা সংকেতত 'TRIPLE'ক 'SQHOKD' হিচাপে লিখা হয়। সেই সংকেতত 'DISPOSE'ক কি হিচাপে লিখা হ'ব?

a) CHRONRD  b) DSOESPI  c) ESJTPTF  d) ESOPSID

6. উলম্ব খুঁটা এটাত সাতটা পৰুৱা বগাই ওপৰলৈ উঠি গৈ আছে। A নামৰ পৰুৱাটো Eতকৈ ওপৰত আছে কিন্তু Cতকৈ তলত আছে। B সোঁমাজত আছে। B আৰু Fৰ মাজত E আছে। A আৰু Bৰ মাজত আছে G। E আৰু D ৰ মাজত আছে F।

i) একেবাৰে ওপৰত কোন আছে?

a) G  b) C  c) A  d) F

ii) একেবাৰে তলত কোন আছে?

a) A  b) E  c) F  d) D

iii) ওপৰৰ পৰা 2 নম্বৰ স্থানত কোন আছে?

a) A  b) B  c) G  d) E

iv) ওপৰৰ পৰা 3 নম্বৰ স্থানত কোন আছে?

a) A  b) C  c) G  d) F

v) তলৰ পৰা 2 নম্বৰ স্থানত কোন আছে?

a) D  b) F  c) E  d) B

**উত্তৰসমূহ :**

| | | | | |
|---|---|---|---|---|
| 1. i) b | ii) c | iii) d | iv) b | |
| v) d | vi) a | vii) a | viii) b | |
| 2. i) d | ii) a | 3. b | 4. b | 5. a |
| 6. i) b | ii) d | iii) a | iv) c | v) b |

# আমেৰিকা-মেক্সিকোৰ মাজৰ দেৱাল : প্ৰকৃতিলৈ ভাবুকি

■ চন্দনা মেধি চৌধুৰী



সাম্প্ৰতিক বিশ্বৰ সংবাদ মহলত সৰ্বাধিকভাৱে আলোচিত এক বিষয় হৈছে আমেৰিকা-মেক্সিকোৰ মাজৰ দেৱালখন। উল্লেখযোগ্য যে আমেৰিকা আৰু মেক্সিকোৰ মাজত নিশ্ছিদ্ৰ আৰু মজবুত, দীঘল দেৱাল নথকাৰ বাবে বছৰি কেইবালাখো লোক মেক্সিকোৰ পৰা আমেৰিকালৈ প্ৰব্ৰজন কৰে। বিভিন্ন সময়ত এই দেৱালখন মজবুতভাৱে নিৰ্মাণৰ প্ৰস্তাৱ উত্থাপন হৈ আহিছে। বিভিন্ন সমীক্ষাৰ পৰা পোৱা তথ্য অনুসৰি ১ কোটিৰো অধিক বিভিন্ন দেশৰ লোক মেক্সিকোৰ মাজেদি অবৈধভাৱে আমেৰিকাত অনুপ্ৰৱেশ কৰিছে আৰু তাৰে প্ৰায় শতকৰা ৫০ শতাংশ অবৈধ অনুপ্ৰৱেশকাৰী চুবুৰীয়া মেক্সিকোৰ পৰা অহা। বিভিন্ন গুণগত জীৱনশৈলীৰ সন্ধান তথা কৰ্ম সংস্থাপনৰ আশাত এই অনুপ্ৰৱেশকাৰীবোৰৰ সমাগম ঘটে। আনহাতে আমেৰিকাৰ জনসংখ্যা বৃদ্ধি, অপৰাধৰ সংখ্যা, সন্ত্ৰাসবাদ, মাদক দ্ৰব্যৰ প্ৰচলন বৃদ্ধিৰ ক্ষেত্ৰত বৰ্দ্ধিত প্ৰব্ৰজনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি আমেৰিকাৰ সচেতন মহলে মত পোষণ কৰে। এনেবোৰ সমস্যা ৰোধৰ বাবে আমেৰিকা আৰু মেক্সিকোৰ মাজৰ দেৱালখন বৃহদাকৃতি আৰু মজবুতভাৱে গঢ়ি তোলাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। এখন শক্তিশালী দেৱাল নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰে ডোনাল্ড ট্ৰাম্পে ২০১৬ বৰ্ষত বিপুল ভোটত জয়লাভ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি পদ লাভ কৰে।

মেক্সিকোৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলক লৈ আমেৰিকাবাসীসকল চিন্তিত হোৱাৰ আন এক অন্যতম কাৰণো নথকা নহয়। ২০১৫-১৬ বৰ্ষত ছিৰিয়া, আফ্ৰিকা আদি দেশৰ পৰা কেইবা লাখৰো অধিক শৰণাৰ্থীৰ ইউৰোপলৈ আগমন ঘটিছিল। এই শৰণাৰ্থীবোৰক জাৰ্মান, ফ্ৰান্স, ছুইডেন আদি ৰাষ্ট্ৰই সংস্থাপন দিছিল। সংবাদ মাধ্যমৰ পৰা পোৱা তথ্য অনুসৰি সম্প্ৰতি জাৰ্মানীত সংঘটিত হোৱা হত্যা, অপৰাধ আদি বিভিন্ন কূটাঘাতমূলক কাৰ্য্যত এই শৰণাৰ্থীবোৰ জড়িত। বহুলভাৱে প্ৰচাৰিত সংবাদৰ দ্বাৰা আমেৰিকাবাসীও এই বিষয়টোত শংকিত হৈ পৰিছিল। সেয়েহে তেওঁলোকে কোনোপধ্যে এনে ধৰণৰ শৰণাৰ্থী আৰু অবৈধভাৱে প্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰীক আমেৰিকাত সংস্থাপন নিদিয়ে বুলি সৰব হৈ পৰিছিল। ট্ৰাম্পে জনসাধাৰণৰ নিৰাপত্তাৰ সৈতে জড়িত এই বিষয়টোক কেন্দ্ৰ কৰি নিৰ্বাচনী প্ৰচাৰ চলাইছিল।

ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈয়ে তেওঁ ২০১৭ বৰ্ষৰ ২৫ জানুৱাৰীত এই বিষয়ে কাৰ্য্যকৰী নিৰ্দেশ দিয়ে। প্ৰাচীৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা অৰ্থ বহন কৰিবলৈ তেওঁ মেক্সিকোৰ চৰকাৰক আহ্বান জনাইছিল। কিন্তু মেক্সিকোৰ চৰকাৰে তেওঁৰ আহ্বানত সন্মতি প্ৰদৰ্শন নকৰাত তেওঁ আমেৰিকাৰ পাৰ্লিয়ামেণ্টক (কংগ্ৰেছ) অৰ্থ যোগান কৰিবলৈ আহ্বান জনাইছিল। আমেৰিকাৰ পাৰ্লিয়ামেণ্টে অৰ্থ প্ৰদান কৰিবলৈ সন্মত নোহোৱাত ট্ৰাম্পে বিভিন্ন বিভাগৰ মন্ত্ৰী-বিষয়াৰ নামত বহন কৰা অৰ্থৰ ব্যয় সংকোচন কৰে। প্ৰয়োজন হ'লে তেওঁ দেশত জৰুৰী অৱস্থা ঘোষণা কৰিব বুলিও পাৰ্লিয়ামেণ্টক হুমকি দিয়ে। দেশৰ প্ৰতিৰক্ষা বাহিনীৰ ব্যয় কিছু পৰিমাণে সংকোচন কৰি তেওঁ দেৱাল নিৰ্মাণত খৰচ কৰে। প্ৰায় ৪৫৮ মাইল দেৱাল নিৰ্মাণৰ কাম সম্পন্নও হয়। ট্ৰাম্পৰ এই ভূমিকাত পাৰ্লিয়ামেণ্ট অসন্তুষ্ট হৈ পৰে। অন্যতম বিৰোধী দল ডেমোক্ৰেটছৰ মুৰব্বী জ' বাইডেন পৰৱৰ্তী

নিৰ্বাচনৰ বাবে শক্তিশালী প্ৰতিদ্বন্দ্বী হৈ পৰে। অৱশেষত ২০২১ত জ' বাইডেন আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই তেওঁ দেৱাল নিৰ্মাণৰ কাম বন্ধ কৰে।

দুয়োখন ৰাষ্ট্ৰৰ মাজত অৰ্দ্ধনিৰ্মিত এই দেৱালখনে পৰিৱেশৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। উল্লেখযোগ্য যে ৩৪৬ বিধ স্থানীয় বন্যপ্ৰাণী প্ৰজাতিৰ এক-তৃতীয়াংশৰ সৈতে এই দেৱালখনে সংযোগ বিচ্ছিন্ন কৰি তুলিছে। উভয় ৰাষ্ট্ৰৰ এই অঞ্চলৰ বন্যপ্ৰাণীৰ প্ৰজাতিবোৰ খাদ্য, পানীৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ পৰিভ্ৰমণ কৰাত বাধাৰ সৃষ্টি হৈছে আৰু নিজৰ প্ৰজাতিৰ সংগবোৰৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। বানপানী, বনজুই, তাপপ্ৰবাহ আদি প্ৰাকৃতিক বিপত্তিৰ সময়ত জীৱ-জন্তুবোৰ নিৰাপদ স্থানত আশ্ৰয় লোৱাত অসুবিধাৰ সন্মুখীন হৈছে।

ফলস্বৰূপে বন্যপ্ৰাণীবোৰৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।। কিয়নো বিপন্ন প্ৰজাতিবোৰে নিৰ্দিষ্ট বতৰত আন এটা সুবিধাজনক অঞ্চললৈ প্ৰব্ৰজন কৰাত অসুবিধাৰ সৃষ্টি হৈছে। প্ৰাকৃতিকভাৱে মূল্যবান গছ-গছনি, উদ্ভিদ আদিৰ বিকাশত প্ৰাচীৰখনে বাধা হিচাপে থিয় দিছে। এই অঞ্চলটোৰ ভূমিৰ উৰ্বৰতা হ্ৰাস পাইছে। দেৱাল নিৰ্মাণত ব্যৱহাৰ কৰা যন্ত্ৰ-পাতিৰ কবলত পৰি কিছুমান জীৱ-জন্তু মৃত্যুমুখতো পৰিছে। দেৱালৰ সমীপৰ ভূমিৰ সংৰক্ষিত অঞ্চল বিপদাপন্ন হৈছে। এই অঞ্চলত পোৱা কেইবাবিধো বিৰল প্ৰজাতিৰ প্ৰাণী, যেনে—বৃহৎ শিং থকা এবিধ পহু, জাগুৱাৰ, ধোঁৱা ৰঙৰ এবিধ কুকুৰনেচীয়া বাঘ আদিৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। ❖



# আকুপাংচাৰ

■ নৱনীতা কলিতা

আজিৰ পৃথিৱীৰ অধিকাংশ মানুহেই কম-বেছি পৰিমাণে নানা শাৰীৰিক সমস্যাৰে জৰ্জৰিত। বহু মানুহেই আজীৱন ঔষধ সেৱন কৰিয়েই স্বাভাৱিকভাৱে ৰাখি আছে নিজৰ জীৱনৰ ছন্দ। কিন্তু দেখা যায় যে কেতিয়াবা কেতিয়াবা এনে ধৰণৰ দৈনন্দিন ঔষধ সেৱনৰ ফলত কিছু লোকৰ দেহত ঔষধৰ পাৰ্শ্বপ্ৰতিক্ৰিয়া দেখা যায়। সেয়েহে আজিৰ পৃথিৱী এনে দৈনিক ঔষধ সেৱনৰ সলনি পাৰ্শ্বপ্ৰতিক্ৰিয়াহীন বিকল্প চিকিৎসা পদ্ধতিৰ দিশে ঢাল খাইছে। সেই চিন্তাধাৰাৰ মাজতেই জিলিকি উঠিছে আকুপাংচাৰ চিকিৎসা পদ্ধতি।

আকুপাংচাৰ শব্দটো মূলতঃ লেটিন ভাষাৰ শব্দ। 'আকু' মানে বেজী আৰু 'পাংচাৰ' মানে ফুটোৱা। আকুপাংচাৰ পদ্ধতিত ধাতুৰ সৰু মিহি বেজিৰে মানুহৰ শৰীৰৰ বিশেষ কিছুমান ঠাইত খুঁচি খুঁচি স্নায়ুবোৰ উত্তেজিত কৰি চিকিৎসা কৰা হয়। যদিও বহু সৰু সৰু বেজি একেলগে শৰীৰত খুঁচি এই চিকিৎসা কৰা হয় তথাপি ই সম্পূৰ্ণ যন্ত্ৰণামুক্ত। অতি কম খৰচ তথা কম পৰিশ্ৰমতে সফলভাৱে প্ৰয়োগ কৰিব পৰা এই চিকিৎসা পদ্ধতিৰ আশ্চৰ্য্যজনক কথাটো হ'ল যে এই পদ্ধতিত কোনো ঔষধ ব্যৱহাৰ কৰা নহয়। শৰীৰত বেজিৰ বিন্ধা কৰি স্নায়ুবোৰ সক্ৰিয় কৰি তুলি শৰীৰৰ ভিতৰত থকা ৰাসায়নিক পদাৰ্থবোৰৰ পৰিমাণ বৃদ্ধি বা হ্ৰাস কৰি শৰীৰটোক ঠিকমতে কাম কৰিবলৈ সুবিধা কৰি দিয়াটোৱে হৈছে আকুপাংচাৰৰ প্ৰধান কাম। শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বেছি কৰি হৰম'নৰ ভাৰসাম্য সঠিক কৰি ৰখা তথা স্নায়ুতন্ত্ৰক সুচাৰুৰূপে পৰিচালিত কৰি শৰীৰ এটাক সুস্থ কৰি তোলাত আকুপাংচাৰ পদ্ধতিয়ে সহায় কৰে।


প্ৰায় পাঁচ হাজাৰ বছৰৰ পুৰণা এই চিকিৎসা পদ্ধতিৰ জন্ম হৈছিল চীন দেশত। বৰ্তমান বিশ্বৰ প্ৰায় ১২০খন দেশতে এই চিকিৎসা পদ্ধতি বিয়পি পৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰতো মেডিকেল ইন্সিঅ'ৰেন্স পলিচিৰ মাজতো আকুপাংচাৰ চিকিৎসা পদ্ধতি অন্তৰ্ভুক্ত কৰা হৈছে। ১৯৭৯ চনত বিশ্ব স্বাস্থ্য সংস্থাই (WHO) আকুপাংচাৰ চিকিৎসা পদ্ধতিক স্বীকৃতি দিছে। ২০০৩ চনত বিশ্ব স্বাস্থ্য সংস্থাই এখন তালিকা প্ৰস্তুত কৰে, য'ত উল্লেখ আছে যে শৰীৰৰ প্ৰায় ১০৩টা শাৰীৰিক সমস্যাৰ সমাধান অতি কম খৰচত আৰু সহজতে আকুপাংচাৰ পদ্ধতিৰ সহায়ত নিৰ্মূল কৰিব পৰা যায়।

ভাৰতত আকুপাংচাৰ চিকিৎসাৰ প্ৰবৰ্তক হ'ল ইএনটি বিশেষজ্ঞ ডা° বিজয় কুমাৰ বসু। চীন দেশত ডাক্তৰী ডিগ্ৰী ল'বলৈ গৈ তেওঁ চাইন'চাইটিছ ৰোগত আক্ৰান্ত হয়। ডা° বসুৱে তেওঁৰ চীনা সহকৰ্মীৰ পৰামৰ্শ মতে আকুপাংচাৰ চিকিৎসা পদ্ধতিৰ জৰিয়তে অতি সহজতে সুস্থ হৈ উঠে। তেতিয়া তেওঁ এই চিকিৎসা পদ্ধতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজেও এই পদ্ধতিৰ প্ৰশিক্ষণ লয় আৰু তাৰ পৰৱৰ্তী সময়ত তেওঁ ভাৰতবৰ্ষতো এই পদ্ধতিৰে চিকিৎসা কৰিবলৈ আৰম্ভ কৰে। ভাৰতত আকুপাংচাৰ পদ্ধতিৰ পিতৃস্বৰূপ ডা° বসুৰ উদ্যোগত আশীৰ দশকৰ প্ৰথম ভাগত যাদবপুৰ বিশ্ববিদ্যালয়ত প্ৰথম চৰকাৰীভাৱে আকুপাংচাৰ চিকিৎসা পদ্ধতিৰ প্ৰশিক্ষণ দিয়া আৰম্ভ হয়। ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও আইনগতভাৱে এই চিকিৎসা পদ্ধতিক স্বীকৃতি দিয়ে। লগে লগে গঢ়ি উঠে 'কাউন্সিল অব আকুপাংচাৰ থেৰাপি'। এই সংস্থাৰ জৰিয়তে আকুপাংচাৰ চিকিৎসা পদ্ধতিৰ প্ৰশিক্ষণ দিয়া হয়। বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বহু চৰকাৰী-বেচৰকাৰী চিকিৎসালয়তে এই চিকিৎসা সহজলভ্য। এই চিকিৎসাৰ প্ৰচাৰৰ বাবে ডা° বসুৱে তেওঁক কলকাতাত থকা বাসগৃহটো ৰাজ্য চৰকাৰলৈ দান কৰে। বৰ্তমান সেই নিবাসটিৰ নাম 'ডা° বিকে বসু মেম'ৰিয়েল ৰিছাৰ্চ এণ্ড ট্ৰেইনিং ইন্সটিটিউট অব আকুপাংচাৰ'। চৰকাৰী আকুপাংচাৰ চিকিৎসা ব্যৱস্থাৰ এইটোৱেই প্ৰধান কাৰ্য্যালয়।

**কি কি সমস্যা আকুপাংচাৰ চিকিৎসা পদ্ধতিত ব্যৱহাৰ কৰিব পাৰি?**

বিভিন্ন ধৰণৰ বাত বিষ, গাঁঠিৰ বিষ, এজমা, এলাৰ্জি, মূৰৰ বিষ, অনিদ্ৰা, পেৰালাইছিছ, স্পণ্ডেলাইটিছ, প্ৰজননজনিত সমস্যা আদি বিভিন্ন ৰোগ উপশম কৰাত



আকুপাংচাৰ পদ্ধতি যথেষ্ট সহায়ক। একাধিক গৱেষণাৰ পৰা দেখা গৈছে যে আকুপাংচাৰ পদ্ধতিৰে চিকিৎসা কৰি পেৰালাইছিছ ৰোগীসকলৰ ক্ষেত্ৰত বিশেষ সুফল পোৱা গৈছে। আজীৱন ঔষধ খায়ো ভাল নোপোৱা বাত বিষ, গাঁঠিৰ বিষ আদি সমস্যাবোৰো সফল হৈছে। তদুপৰি হাঁপানী, পলিঅ' আদি বেমাৰো এই চিকিৎসা পদ্ধতিৰে উপশম কৰিব পাৰি। পৃথিৱীৰ বহু দেশত এই চিকিৎসা পদ্ধতিৰ প্ৰচলন হৈছে আৰু ই ক্ৰমে অধিক জনপ্ৰিয় হৈ পৰিছে। খেলুৱৈসকলে খেল খেলোঁতে পোৱা বিভিন্ন আঘাত, বিষ আদিৰ উপশম কৰাত আকুপাংচাৰ পদ্ধতি অতি ফলপ্ৰসূ। চৰকাৰী হাস্পতালত এই চিকিৎসা সম্পূৰ্ণ বিনামূল্যে উপলব্ধ। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে এই পদ্ধতিত চিকিৎসা কৰিবলৈ কোনো বয়সৰ সীমাবদ্ধতা নাথাকে। সৰুৰ পৰা বয়স্কলৈ সকলো লোকেই এই চিকিৎসা ল'ব পাৰে।

**কোন কোন ক্ষেত্ৰত আকুপাংচাৰ ব্যৱহাৰ কৰিব নালাগে**

অৰ্থাৎ এলোপেথি চিকিৎসা চলি থকাৰ সময়তো আকুপাংচাৰ পদ্ধতিত চিকিৎসা কৰাত কোনো বাধা নাই। মাত্ৰ মধুমেহ ৰোগীসকলৰ ক্ষেত্ৰত তেজত শৰ্কৰাৰ মাত্ৰা ২০০তকৈ কম হৈ আহিলেহে এই চিকিৎসা আৰম্ভ কৰিব পৰা যায়।

অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল যে চৰকাৰী প্ৰতিষ্ঠান নতুবা সুপৰিচিত সংস্থাৰ অভিজ্ঞ ব্যক্তি বা ডাক্তৰৰ দ্বাৰাহে এই চিকিৎসা কৰোৱা উচিত। অনভিজ্ঞ ব্যক্তিৰ দ্বাৰা এই চিকিৎসা কৰিলে আঘাত পোৱাৰ সম্ভাৱনা থাকে। অৰ্থাৎ এই চিকিৎসাৰ সাৰ্থকতা বা সফলতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব চিকিৎসকজনৰ ওপৰত। ❖

# হৰিনাৰায়ণ দত্তবৰুৱা

■ হিমাদ্ৰী বৰা



সাহিত্যসেৱী তথা সমাজকৰ্মী হৰিনাৰায়ণ দত্তবৰুৱা দৃঢ়প্ৰতিজ্ঞ, গভীৰ অধ্যৱসায়ী গুণেৰে সমৃদ্ধ, অদম্য মনোবলেৰে মহিমামণ্ডিত এগৰাকী ব্যক্তি। যিগৰাকী ব্যক্তিৰ আদৰ্শই অনুপ্ৰাণিত কৰিছে সহস্ৰ অসমীয়াক। অসমীয়া সমাজ তথা সাহিত্য আৰু শিক্ষা জগতৰ মহীৰূহ স্বৰূপ হৰিনাৰায়ণ দত্তবৰুৱাৰ মৃত্যুত শিক্ষাবিদ ভবানন্দ দত্তই কৈছিল—

"অতি সাধাৰণভাৱে জীৱন যাত্ৰা আৰম্ভ কৰি যি পথ তেখেতে প্ৰশস্ত কৰি গ'ল তাৰ তুলনা নাই।"

সমাজৰ উন্নতিৰ হকে জীৱন উছৰ্গা কৰা হৰিনাৰায়ণ দত্তবৰুৱাৰ জন্ম হৈছিল ১৮৮৫ চনৰ ভাদ মাহৰ ১৮ তাৰিখে কামৰূপ জিলাৰ বাঁহজানী মৌজাৰ পূব কালাকুছি গাঁৱত। পিতৃ দেৱীৰাম দত্তবৰুৱা আৰু মাতৃ উমা দেৱীৰ চতুৰ্থ সন্তান হৰিনাৰায়ণ দত্তবৰুৱা।

দত্তবৰুৱাই পূব কালাকুছি গাঁৱতে থকা 'চৰিয়া প্ৰাথমিক বিদ্যালয়'ত প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত নলবাৰী মাইনৰ (মধ্য ইংৰাজী বিদ্যালয় বা নিম্ন আৰু উচ্চৰ মাজৰ শ্ৰেণী) স্কুলত শিক্ষা সমাপ্ত কৰিছিল। তেওঁৰ হাইস্কুলত পঢ়িবলৈ অদম্য হেঁপাহ আছিল যদিও আৰ্থিক অনাটনৰ বাবে সেই শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে। সেয়ে উচ্চ শিক্ষা লোৱাৰ আশা বাদ দি তেওঁ পাঠশালাৰ (প্ৰাথমিক বিদ্যালয়) শিক্ষকৰূপে নিজকে নিয়োজিত কৰিবলৈ মন মেলিলে। তেওঁৰ মনৰ সেই আশা বাস্তৱত ৰূপায়িত হ'ল। ১৯০৪ চনৰ জুলাই মাহত শিৱসাগৰৰ টেঙাপুখুৰী নিম্ন প্ৰাথমিক বিদ্যালয়ত তেওঁ সাহিত্যৰ শিক্ষকৰূপে নিযুক্তি লাভ কৰিছিল। ইয়াত কিছুদিন শিক্ষকতা কৰাৰ পাছত তেওঁ গুৱাহাটীৰ নৰ্মাল স্কুলত (শিক্ষকসকলক প্ৰশিক্ষণ দিয়া বিদ্যালয়) প্ৰশিক্ষণ গ্ৰহণৰ সুবিধা লাভ কৰে আৰু এই প্ৰশিক্ষণত কৃতিত্ব লাভ কৰি নগাঁৱৰ চৰকাৰী মজলীয়া বিদ্যালয়ত শিক্ষক পদত নিযুক্ত হয়। পৰৱৰ্তী সময়ত তেওঁ অসমৰ বহু ঠাইৰ বিদ্যালয়ত শিক্ষকতা কৰিছিল। এইখিনি সময়তে তেওঁ পানীন্দ্ৰ গগৈ, কনকনাথ গগৈ, নীলকান্ত গোহাঁই বৰুৱা, মৌলবী মহম্মদ আলি আদি কেইবাগৰাকী সাহিত্যিকক লগ পাইছিল। তেওঁলোকৰ উৎসাহ আৰু অনুপ্ৰেৰণাতে তেওঁ সাহিত্য চৰ্চাত মনোনিৱেশ কৰে।

লখিমপুৰত শিক্ষকতা কৰি থকা সময়তেই হৰিনাৰায়ণ দত্তবৰুৱাই প্ৰথম সাহিত্য ৰচনাত হাত দিয়ে। তেওঁ বন্ধুসকলৰ সহযোগত 'কবিতা লতা' নামৰ এখন তিনিমহীয়া পত্ৰিকা প্ৰকাশ কৰি উলিয়াইছিল। ইয়াৰ পাছত তেওঁ সহকৰ্মী উপাৰ্জন শইকীয়াৰ সৈতে যুটীয়াভাৱে 'উজু কবিতা' নামেৰে এখন কবিতা পুথি প্ৰকাশ কৰিছিল। উল্লেখনীয় যে হৰিনাৰায়ণ দত্তবৰুৱাই অসমীয়া ভাষাত পাঠ্যপুথিৰ অভাৱ অনুভৱ কৰিছিল। সেই সময়ত অসমৰ স্কুলবিলাকত বঙলা ভাষাৰ অংকৰ পাঠ্যপুথি যাদৱচন্দ্ৰ চক্ৰৱৰ্তীৰ 'পাটীগণিত' চলিছিল। তেওঁ লেখকৰ অনুমতি সাপেক্ষে 'পাটীগণিত'খন অসমীয়ালৈ অনুবাদ কৰিছিল। তদুপৰি তেওঁ অসমীয়া মাধ্যমৰ পাঠ্যপুথিৰ অভাৱৰ কথা অনুভৱ কৰি পাঠ্যপুথি ৰচনাৰ কথাও চিন্তা কৰিছিল। সেই উদ্দেশ্যে তেওঁ উচ্চ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে 'ব্যাকৰণ পাঠ' পুথিখন প্ৰকাশ কৰে। তদুপৰি তেওঁ ভূগোল, বুৰঞ্জী, সাহিত্য, অংক, ব্যাকৰণ আদি বিষয়ৰ বহুতো পাঠ্যপুথি সম্পাদনা আৰু ৰচনা কৰিছিল। তেওঁ সংকলন আৰু সম্পাদনা কৰা গ্ৰন্থৰাজি হ'ল—সটীক নামঘোষা, শ্ৰীমদ্ভাগৱত, প্ৰাচীন কামৰূপ কায়স্থ সমাজৰ ইতিবৃত্ত, কথা গুৰুচৰিত, চিত্ৰ

ভাগৱত, ভক্তি বিবেক, সপ্তকাণ্ড ৰামায়ণ, হস্তীবিদ্যামহাৰ্ণৱ ইত্যাদি। 'কামৰূপীয়া শব্দকোষ' নামৰ এখন অভিধান সংকলন কৰাৰ উপৰি ১৯৫০ চনত 'Anglo-Assamese Dictionary' নামে এখন ইংৰাজী-অসমীয়া অভিধানো তেওঁ সংকলন কৰি উলিয়ায়।

তদুপৰি তেওঁ 'পৃথিৱীৰ বাতৰি' নামেৰে প্ৰবন্ধ পুথি, 'ভাৰত ভ্ৰমণ' শীৰ্ষক ভ্ৰমণ কাহিনী, 'চিত্ৰদৰ্শন' শীৰ্ষক এখন উপন্যাস আৰু 'গীতাবোধ' শীৰ্ষক শিশু উপযোগী এখন গ্ৰন্থ ৰচনা কৰিছিল।

তেওঁ অসমীয়া সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নলবাৰীত মাতৃৰ নামত 'ঊষা প্ৰেছ' নামেৰে এটা ছপাশাল স্থাপন কৰিছিল আৰু পুত্ৰসকলৰ লগ লাগি গুৱাহাটীত 'শ্ৰীগুৰু প্ৰেছ' স্থাপন কৰে।

সাহিত্য চৰ্চাৰ উপৰি হৰিনাৰায়ণ দত্তবৰুৱাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা সভা-সমিতিৰ উন্নতিৰ হকে কাম-কাজ কৰিছিল। তেওঁ নলবাৰীত দেউতাকৰ নামত 'দেৱীৰাম পাঠশালা' বিদ্যালয় স্থাপন কৰাৰ উপৰি এটা হৰিমন্দিৰো স্থাপন কৰিছিল।

জীৱনৰ শেষৰ ফালে হৰিনাৰায়ণ দত্তবৰুৱা সমাজৰ এগৰাকী অভিজাত ব্যক্তিৰূপে পৰিগণিত হৈছিল যদিও তেওঁ সহজ-সৰল আৰু এটি সাধাৰণ জীৱন কটাইছিল। দুখীয়া-নিছলাৰ প্ৰতি তেওঁৰ সহৃদয়তা প্ৰতিনিয়ত আছিল।

অসমীয়া সমাজ-সংস্কৃতি, সাহিত্য আদিৰ ক্ষেত্ৰত সততে উন্নতিৰ হকে চিন্তা কৰা, নানা মহান কৰ্মত নিজকে উৎসৰ্গা কৰা হৰিনাৰায়ণ দত্তবৰুৱা আমাৰ আদৰ্শস্বৰূপ। এইগৰাকী মহান পুৰুষৰ ১৯৫৯ চনৰ ১৮ ফেব্ৰুৱাৰীত পৰলোক হয়। ❖

## নিবন্ধ

# বিষাক্ত বাগিচা

■ **জুৰি গোস্বামী**

বাগিচা বুলি ক'লেই আমাৰ মনলৈ ফল-মূলৰ বাগিচা, ফুলৰ বাগিচা আদিৰ কথা মনলৈ আহে। কেতিয়াও কিন্তু বিষাক্ত বাগিচা এখনৰ কথা ভবা নাযায়। কিন্তু এনে এখন বাগিচা আছে ইংলণ্ডত। উত্তৰ ইংলণ্ডৰ এই বাগিচাখনৰ ক'লা লোৰ গেটখনত লিখা আছে—'দ্যা পয়জন গাৰ্ডেন, ইয়াৰ উদ্ভিদবোৰে হত্যা কৰিব পাৰে'। এই সতৰ্কবাণীটো এটা কৌতুক নহয়— এই ক'লা লোৰ গেটখনৰ পিছফালৰ মনোমোহা বাগিচাখনেই হৈছে পৃথিৱীৰ আটাইতকৈ মাৰাত্মক বিষাক্ত গছৰ বাগিচা আৰু এই বাগিচাখন ৰাইজৰ বাবে মুকলি হয়।

২০০৫ চনত স্থাপিত, উত্তৰ ইংলণ্ডৰ এলনৱিক গাৰ্ডেনত থকা এই পয়জন গাৰ্ডেনত ১০০তকৈও অধিক বিষাক্ত উদ্ভিদ আছে। দৰ্শনাৰ্থীসকলক প্ৰবেশ কৰিবলৈ দিয়াৰ আগত তেওঁলোকক সুৰক্ষাৰ কেতবোৰ নিৰ্দেশ পালন কৰিবলৈ দিয়া হয়। এই নিৰ্দেশমতে দৰ্শনাৰ্থীসকলে একো স্পৰ্শ, সোৱাদ বা গোন্ধ ল'ব নোৱাৰিব। তথাপি কিছুমান পৰ্য্যটকে এই নিৰ্দেশ নামানি মাজে মাজে বিষাক্ত ফুল শুঙি মূৰ্চ্ছা যোৱাৰ ঘটনা সংঘটিত হৈ থকাৰ তথ্য বাগিচাখনৰ ৱেবছাইটত উল্লেখ আছে। বাগিচাৰ কিছুমান উদ্ভিদ বিষাক্ত হোৱা সত্বেও সেইবোৰ গুৰুতৰ ৰোগৰ চিকিৎসাত ব্যৱহাৰ হয় বুলি জনা যায়।

বাগিচাখনৰ বেছিভাগ উদ্ভিদ খোৱাৰ লগে লগে স্নায়ুতন্ত্ৰত আক্ৰমণ কৰে। কিন্তু পাতবোৰৰ উৎকট গোন্ধ থকা বাবে মানুহে সহজে খোৱাৰ সম্ভাৱনা নাথাকে। ইয়াত থকা এবিধ উদ্ভিদ হ'ল লেবাৰ্ণম গছ, ইংলণ্ডৰ ভিতৰতে এবিধ বিষাক্ত গছ। বহু লোকে সেইবিধ গছ




ধুনীয়া হালধীয়া ফুলৰ বাবে ঘৰৰ চাৰিওফালে ৰুবলৈ ইচ্ছা কৰে, কিন্তু সেইবোৰত ‘চাইটিচাইন’ নামৰ বিষ এবিধ থাকে বাবে ই অত্যন্ত বিপদজনক। আকৌ প্রুনাছ লাউৰোচেৰাছাছ নামৰ (ইংৰাজীত চেৰী ল’ৰেল বা ল’ৰেল বুলিও জনা যায়) উদ্ভিদবোৰৰ পাতবোৰত গ্লাইকোচাইড আৰু চাইনাইড আয়ন বুলি দুটা উপাদান থাকে, যিয়ে সাৱধানী মানুহৰ ক্ষতি নকৰে, কিন্তু কোনো জন্তুৱে যদি পাতবোৰ চোবাই মুচৰি পেলায় তেতিয়া সেইবোৰ গছে চাইনাইডৰ দৰে মাৰাত্মক গেছ প্রস্তুত কৰি মৃত্যুমুখত পেলাব পাৰে। অসাৱধানী মানুহে যদি সেইবোৰ গছ কাটিবলৈ যায়—তেতিয়া সেইবোৰ গছে চাইনাইড গেছ নিৰ্গত কৰিও মানুহক মৃত্যুমুখত পেলাব পাৰে।

খৃষ্টমাছ ৰোজৰ দৰে হেলেব’ৰছ উদ্ভিদবোৰ হৈছে ইয়াত থকা আন এবিধ বিপদজনক উদ্ভিদ। ইয়াৰ শিপাত কাৰ্ডিঅটক্সিন নামৰ এবিধ পদাৰ্থ থাকে, যি মানুহৰ হৃদযন্ত্ৰ বন্ধ কৰিব পাৰে। আনহাতে গছবিধৰ ছালত থকা এবিধ পদাৰ্থই ছালত খজুৰতিৰ সৃষ্টি কৰে।

সেয়ে ইয়াত কাম কৰা কৰ্মচাৰীসকলে বিভিন্ন ধৰণৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰে। কামৰ সময়ত চ্যুট, ফেচমাস্ক, হাতমোজা আদি পিন্ধি লোৱাটো বাধ্যতামূলক।

ইয়াত থকা বহুতো ঔষধি উদ্ভিদ মানৱ জাতিৰ কল্যাণৰ বাবেও ব্যৱহাৰ কৰা হয়। ইয়াত থকা কিছুমান মাৰাত্মক উদ্ভিদ স্তনৰ কৰ্কট ৰোগৰ দৰে কেতবোৰ দুৰাৰোগ্য ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়। বৰ্তমান বাগিচাখন ড্ৰাগছ শিক্ষা কাৰ্য্যসূচীৰ অংশ হৈ পৰিছে। ইয়াৰ আঁৰৰ সম্পূৰ্ণ ধাৰণাটোৱে হৈছে ঔষধ সম্পৰ্কীয় গৱেষণাত সহযোগ কৰা।

পয়জন গাৰ্ডেনৰ কৰ্মচাৰীসকলক ইয়াৰ উদ্ভিদৰ নিৰীক্ষণ, গণনা আৰু প্ৰতিবেদন আদি দাখিল কৰাৰ বাবে আইনৰ দ্বাৰা বাধ্য কৰোৱা হয়। তেওঁলোকে প্ৰতিটো ঋতুৰ শেষত কেতবোৰ উদ্ভিদ ধ্বংস কৰিব লাগে আৰু ইয়াৰো প্ৰতিবেদন দাখিল কৰাটো বাধ্যতামূলক।


প্ৰতিবছৰে দেশ-বিদেশৰ বহুতো অনুসন্ধিৎসু লোক ইয়ালৈ অধ্যয়ন কৰিবলৈ আহে। প্ৰায় ১৪ একৰ কালিৰ বাগিচাখন দৰ্শন কৰিবলৈ বছৰি প্ৰায় ৬ লাখ পৰ্য্যটক আহে। যাৰ ফলত ই ইংলণ্ডৰ ভিতৰতেই এক উল্লেখযোগ্য পৰ্য্যটনথলীলৈ ৰূপান্তৰিত হৈছে। ❖

## কুইজৰ উত্তৰসমূহ

১। বাৰিক। ২। কবিতা। ৩। স্বৰ্গদেউ চুদাংফা। ৪। মাদাৰ টেৰেছা। ৫। আনন্দমঠ (বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ। গীতটো - বন্দে মাতৰম) ৬। নাইকি। ৭। টেষ্ট ক্ৰিকেটত হেটট্ৰিক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হৈছিল ।বলাৰজন হৰভজন সিং। ৮। কচ্ছপি। ৯। ৰসগোল্লা। ১০। জিঅ’ফ হাৰ্ষ্ট। ১১। সন্মানীয় বুকাৰ বঁটা লাভ কৰিছিল এই গ্ৰন্থখনে। ১২। অমিতাভ বচ্চন। ১৩। শ্ৰেষ্ঠ পৰিচালকৰ অস্কাৰ বঁটা লাভ কৰা প্ৰথমগৰাকী মহিলা তেওঁ ।‘দ্য হাৰ্ট ল’কাৰ’ৰ বাবে তেওঁ এই বঁটা লাভ কৰিছিল। ১৪। ড° ভবেন্দ্ৰ নাথ শইকীয়া। ১৫। মিছ ৱৰ্ল্ড খিতাপ দখল।ৰীতা ফাৰিয়া তেওঁ। ১৯৬৬ চনত তেওঁ প্ৰতিযোগিতাখনত বিজয়ী হৈছিল। ❖

# A Tale of Two Cities

■ **Jyotirekha Kalita**




Sydney Carton travelled to Paris due to his selfless love for Lucie Manette. He decides to sacrifice himself to save her husband's life. He forces for the help of John Barsad, who recognised him as Solomon Pross, as the dissolute brother of Miss Pross. Carton gets the information that Defarges are planning to kill Lucie and her child. He also finds out a fact that Madame Defarge is the surviving sister of the peasant girl whom Evremonde family had raped.

Carton makes the arrangement for the Manettes to leave Paris immediately. He uses his influences with Barsad to get entry into the cell of Darnay. He gives drugs to Darnay and then exchange places with him. Barsad carries Darnay out of the prison safely.

Madame Defarge goes to Lucie's place to arrest her, but the Manettes have already left the place safely. Instead, Miss Pross confronts her, who comes to use her gun, but accidentally she shoots herself. Finally, Darnay returns with the Manettes to London. In Paris, Carton dies on behalf of Darnay at the guillotine. Though at the beginning of the novel, Sydney Carton is portrayed as a person with merely any value; his sacrifice of his love and life for the betterment of others makes him a hero at the end of the novel.

In the last scene of the novel,Sydney Carton is executed at the guillotine along with many other French prisoners. Although Carton does not make a farewell speech, Dickens ends the novel imagining what he might have said.

The novel 'A Tale of Two Cities' appeared to be a valuable contribution to the world literature. This masterpiece is generally recognized in the international level, through the author's successful description of the most important virtues of humanity.

Despite the focus on evil and cruelty promotion, Dickens rightly illustrated the victory of good and justice. The author managed to underline the importance of love, showing how his characters were ready to sacrifice everything they had for human virtues and this great feeling. ❖

# Chernobyl Disaster

■ Bhaktimala Saikia

On 26 April, 1986 a nuclear accident occurred at No. 4 reactor in the Chernobyl Nuclear Power Plant, near the city of Pripyat in Ukraine. During a shutdown test, a steam explosion blew the roof of the reactor. Blocks of super-heated graphite rained down on the site and huge amounts of radioactive particles were released into the air. These radioactive particles released in this disaster were equal to 400 Hiroshima atomic bombs. The radiation spreading through air had an effect not only on Ukraine but also all over Europe from Spain to Sweden. There was radioactive rain in the United Kingdom. Two workers died immediately, 29 other workers and firemen died within a month from acute radiation sickness. The radioactive dust which settled on the grass were consumed by the cows and the amount of radiation in the milk of those cows spiked. As a result, thousands of children got thyroid cancer. The most widely cited studies by the WHO predict eventual 9000 cancer related fatalities in Ukraine, Belarus and Russia.

While living anywhere within the Chernobyl Exclusion Zone is technically illegal today. Young adults and children are not allowed to live in Chernoby. To this day only about 200 senior citizens live within Chernobyl Exclusion Zone. Once a thriving city of 50000 including many workers at the nuclear plant was abandoned. According to a 2016 report, the reactor cite will not become habitable again for at least 20,000 years. This disaster is still considered to be the world's worst nuclear disaster. ❖

# Malaysia Airlines Flight 370

On March 8, 2014, a Malaysia Airlines Flight 370 operated by Malaysia Airlines disappeared while flying from Kuala Lumpur International Airport to Beijing, China. With 227 passengers and 12 crew aboard who have been presumed dead now.All the passengers were from 14 different nations.

MH370, made voice contact for the last time with air traffic control (ATC) when it was over the South China Sea, less than an hour after the aircraft took off. However after sometime, it disappeared from ATC radar screens. But it was still tracked on military radar for another hour, deviating westward from its planned flight path.

The search operation for the missing airplane became the most expensive search in the history of aviation. It focussed initially on the South China Sea and Andaman Sea and later in the Indian Ocean. Several pieces of debris were found in the Indian Ocean which were confirmed to have originated from flight 370 but the plane itself had never been located. So after three years, the search activities were suspended in 2017. A second search was launched in January 2018 which also ended after six months without success. Till date the definite cause of the disappearance of flight has not been reported. Even after nine years of its disappearance, the incident has remained the biggest aviation mystery. ❖

# উচ্চতৰ মাধ্যমিকৰ পাছত কেৰিয়াৰ নিৰ্বাচন

■ অৰূপ কুমাৰ ডেকা

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত এটা ডাঙৰ প্ৰশ্ন আহে যে কেনে ধৰণৰ বিষয় অধ্যয়ন কৰিব বা কেনে ধৰণৰ কেৰিয়াৰ নিৰ্বাচন কৰিব। এই সিদ্ধান্ত লওঁতে খুব ভালদৰে ল'ব লাগে, কাৰণ ই কেৰিয়াৰৰ এটা ডাঙৰ সিদ্ধান্ত। ইয়াৰ পৰা কেৰিয়াৰ পৰিকল্পনা আৰম্ভ হয়, সেয়ে কেনে ধৰণৰ বিষয় অধ্যয়ন কৰিব বা কোন কলেজত নামভৰ্তি কৰিব সেইটোও গুৰুত্বপূৰ্ণ। ই জীৱনৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত, সেই কাৰণে বিভিন্ন কেৰিয়াৰ বিষয়ক তথ্য সংগ্ৰহ, বিশেষজ্ঞৰ পৰামৰ্শ আদি লৈহে সিদ্ধান্ত ল'ব লাগে।

## বাণিজ্য বিভাগ

বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পাছত নিৰ্বাচন কৰিব পৰা বহুতো বিষয় আছে য'ত এটা সুন্দৰ কেৰিয়াৰ গঢ়িব পাৰি। ছাত্ৰ-ছাত্ৰীসকলে বাণিজ্য বিভাগৰ কোনো এটা বিষয়ক মুখ্য বিষয় হিচাপে লৈ স্নাতক মহলাত নামভৰ্তি কৰিব পাৰে। ইয়াৰ পাছত সেই বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী আৰু পিএইচডি আদি কৰিব পাৰে আৰু স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিৰ শিক্ষক, কোনো বিষয়ৰ বিশেষজ্ঞ, বেংকিং আদিত নিজৰ কেৰিয়াৰ গঢ়িব পাৰে। বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে স্নাতক পাঠ্যক্ৰম শেষ কৰাৰ পাছত আন বহুতো পাঠ্যক্ৰম আছে। তেনে ধৰণৰ কেইটামান পাঠ্যক্ৰমৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

**চাৰ্টাৰ্ড একাউন্টেন্ট** (Chartered Accountant) : বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে ই এক অতি জনপ্ৰিয় পাঠ্যক্ৰম, য'ত এটা সুন্দৰ কেৰিয়াৰ গঢ়িব পাৰি। চাৰ্টাৰ্ড একাউন্টেণ্ট এজনৰ প্ৰধান কাম হৈছে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ বাৰ্ষিক আয়-ব্যয়ৰ হিচাপ পৰীক্ষা কৰা। এই বিষয়ত কেৰিয়াৰ গঢ়িবৰ কাৰণে উচ্চতৰ মাধ্যমিকৰ পাছত বা স্নাতক ডিগ্ৰী লোৱাৰ পিছত এই বিষয়ৰ পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে।

**এমবিএ** (Master of Business Administration) : এমবিএ ছাত্ৰ-ছাত্ৰীসকলৰ এক পছন্দৰ পাঠ্যক্ৰম। এই বিষয়ৰ ডিপ্ল'মা পাঠ্যক্ৰমো আছে। এমবিএ এক দুবছৰীয়া পাঠ্যক্ৰম আৰু ইয়াৰ পাছত এবছৰীয়া পাঠ্যক্ৰমো (Executive MBA) গ্ৰহণ কৰিব পাৰি।

**চাৰ্টাৰ্ড ফাইনেন্চিয়েল এনালিষ্ট** (Chartered Financial Analyst) : বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়ত এটা সুন্দৰ কেৰিয়াৰ গঢ়িব পাৰে। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছত তিনি বছৰীয়া এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰি।

**কোম্পানী ছেক্ৰেটেৰী** (Company Secretary) : কোম্পানী ছেক্ৰেটেৰী হৈছে বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ আন এক গুৰুত্বপূৰ্ণ পাঠ্যক্ৰম। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত এই পাঠ্যক্ৰমৰ কাৰণে আবেদন কৰিব পাৰি।

উচ্চতৰ মাধ্যমিকৰ পাছত কস্ত একাউটেণ্ট (Cost Accountant) পাঠ্যক্ৰমতো নামভৰ্তি কৰিব পাৰি। ইয়াৰ উপৰি বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অৰ্থনীতি, মেনেজমেণ্টৰ বিভিন্ন বিষয়, বিত্ত আদি বিষয়তো নিজৰ কেৰিয়াৰ গঢ়িব পাৰে।

## বিজ্ঞান বিভাগ

এনে কিছুমান বিষয় আছে যিবোৰ বিষয় বিশ্ববিদ্যালয় অনুসৰি ভিন ভিন বিভাগত অন্তৰ্ভুক্ত হোৱা দেখা যায়। অৰ্থনীতি বিষয়টো কোনো কোনো বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত আৰু কোনোৱে কলা বা বাণিজ্য শাখাতো অন্তৰ্ভুক্ত কৰে। তথাপি জীৱবিজ্ঞান, বায়'কেমেষ্ট্ৰি, গণিত, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, কম্পিউটাৰ ছায়েন্স আদি বিষয়বোৰ বিজ্ঞান শাখাতেই অন্তৰ্ভুক্ত। বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলেও উচ্চতৰ মাধ্যমিকৰ পাছত কোনো এটা বিষয়ক মুখ্য বিষয় হিচাপে

লৈ স্নাতক বা বিএছচিত নামভৰ্তি কৰিব পাৰে আৰু সেই একে বিষয়ত এমএছচি আৰু পিএইচডি ডিগ্ৰী ল'ব পাৰে আৰু তাৰ পাছত কলেজ, বিশ্ববিদ্যালয় আদিৰ শিক্ষক, কেমিষ্ট, ভূতত্ত্ববিদ, বিজ্ঞানী, গণিতজ্ঞ আদি হিচাপে নিজৰ কেৰিয়াৰ গঢ়িব পাৰে।

**চিকিৎসাবিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰম** : চিকিৎসাবিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমসমূহ হৈছে এমবিবিএছ, বিডিএছ; বিভিএছ; বি ফাৰ্ম; ডি ফাৰ্ম; নাৰ্ছিং ইত্যাদি।

**এমবিবিএছ** (MBBS) : চিকিৎসাবিজ্ঞানৰ এই স্নাতক পাঠ্যক্ৰমৰ সময়সীমা চাৰে পাঁচ বছৰ য'ত এবছৰৰ ইনটাৰ্নশ্বিপ থাকে। এমবিবিএছ সম্পূৰ্ণ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ অন্তৰ্গত বিষয় যেনে—Cardiology, Surgery, Anesthesiology, Dermatology, ENT, Gyneocology, Neurology, Ophthalmology, Orthopedics, Pediatrics আদি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিব পাৰে।

**বিডিএছ** (BDS) : বিডিএছ বা দন্ত চিকিৎসাৰ পাঠ্যক্ৰম পাঁচ বছৰীয়া য'ত এবছৰ ইনটাৰ্নশ্বিপ থাকে। স্নাতক পাঠ্যক্ৰমৰ পাছত এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী ল'ব পাৰি।

**বিভিএছ** (BVS) : বিভিএছ বা পশু চিকিৎসাৰ স্নাতক পাঠ্যক্ৰম চাৰে চাৰি বছৰীয়া। ইয়াৰ অন্তৰ্গত বিভিন্ন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী ল'ব পাৰি।

**বি ফাৰ্ম** (B. Pharm) : বি ফাৰ্ম পাঠ্যক্ৰম চাৰি বছৰীয়া। এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীও (M Pharm) ল'ব পাৰি। স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে কোনো এটা বিষয়ক মুখ্য হিচাপে বাছি ল'ব লাগে। এম ফাৰ্ম পাঠ্যক্ৰমৰ অন্তৰ্গত বিষয়বোৰ হৈছে Pharmacology, Pharmaceutics, Pharmaceutical analysis, Pharmaceutical chemistry আদি।

**ডি ফাৰ্ম** : দুবছৰীয়া ডি ফাৰ্ম এক ডিপ্ল'মা পাঠ্যক্ৰম। এই পাঠ্যক্ৰমৰ শেষত বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানত ফাৰ্মাচিষ্ট হিচাপে নিয়োজিত হ'ব পাৰি। ইয়াৰ B. Pharmacy আৰু M. Pharmacy পাঠ্যক্ৰমো গ্ৰহণ কৰিব পাৰি।

**বিএছচি নাৰ্ছিং** (B.Sc. Nursing) : বিএছচি, নাৰ্ছিং এক চাৰি বছৰীয়া পাঠ্যক্ৰম। বিএচিৰ পাছত এমএছচি নাৰ্ছিং আৰু এই বিষয়ত পিএইডি আদি পাঠ্যক্ৰমো গ্ৰহণ কৰিব পাৰি।

**ইঞ্জিনিয়াৰিং পাঠ্যক্ৰম**

বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক সুন্দৰ কেৰিয়াৰ গঢ়ি তুলিব পৰা বিষয় হৈছে ইঞ্জিনিয়াৰিং। ইঞ্জিনিয়াৰিং কলেজত নামভৰ্তি কৰিবৰ বাবে উচ্চতৰ মাধ্যমিকত পদাৰ্থবিজ্ঞান, ৰসায়ন আৰু গণিত এইকেইটা বিষয় থকাটো বাধ্যতামূলক। ভাৰতবৰ্ষত চৰকাৰী আৰু বেচৰকাৰী বহুকেইখন উন্নত অভিযান্ত্ৰিক মহাবিদ্যালয় আছে আৰু তাৰ ভিতৰত সোতৰখনকৈ আইআইটি (Indian Institute of Technology) আৰু ৩০খন এনআইটি (National Institute of Technology) উল্লেখযোগ্য। এই মহাবিদ্যালয়বোৰত বহুতো বিষয় আছে য'ত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ এক সুন্দৰ কেৰিয়াৰ গঢ়িব পাৰে।

## কলা বিভাগ

কলা বিভাগত উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হোৱাসকলে কোনো এটা বিষয় মুখ্য বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী কৰিব পাৰে। কলা বিভাগত মুখ্য বিষয় লৈ অধ্যয়ন কৰিব পৰা বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় বিভিন্ন মহাবিদ্যালয়ত আছে। তাৰ ভিতৰত ইংৰাজী, ৰাজনীতিবিজ্ঞান, শিক্ষা, অসমীয়া, ভূগোল, বুৰঞ্জী, সাহিত্য, দৰ্শন, সমাজতত্ত্ব, মনোবিজ্ঞান, পাৰফৰ্মিং আৰ্টছ আদি উল্লেখযোগ্য।

কোনো বিষয়ত স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পাছত সেই বিষয়ত স্নাতকোত্তৰ আৰু পিএইচডি আদিও কৰিব পাৰি। কলা বিষয়ত অধ্যয়ন কৰি গ্ৰহণ কৰিব পৰা কিছুমান বৃত্তি হ'ল- মনোবিজ্ঞানী, অৰ্থনীতিবিদ, মাৰ্কেট এনালাইচিষ্ট, সমাজবিজ্ঞানী, বুৰঞ্জীবিদ, নৃতত্ত্ববিদ, লেখক, সাংবাদিক, আইনজ্ঞ ইত্যাদি। কলা বিভাগৰ স্নাতকসকলে বিভিন্ন প্ৰশাসনিক সেৱা, বেংক সেৱা আদিৰ দৰে প্ৰতিযোগিতা-মূলক পৰীক্ষাতো অৱতীৰ্ণ হ'ব পাৰে। ❖

# কুইজ

১। আৰম্ভ কৰিছোঁ ব'হাগ বিহুৰ কথাৰে। বিহুৰ সৈতে জড়িত হৈ আছে হুঁচৰি। এই হুঁচৰিৰ ভাগ দুটা— হুঁচৰি খোলা আৰু বিহুতলী নাচ বা যোজনা নাচ। হুঁচৰিত এজন গুৰি ধৰোঁতা থাকে। তেওঁক কি নামেৰে জনা যায় বাৰু?

২। 'গোলাপী জামুৰ লগ্ন'ৰ কবি হিচাপে পৰিচিত নীলমণি ফুকনৰ পূৰ্বে অসমীয়া হিচাপে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু মামণি ৰয়ছম গোস্বামীয়ে লাভ কৰিছিল দেশৰ সৰ্বোচ্চ সাহিত্য সন্মান—জ্ঞানপীঠ বঁটা। কবি নীলমণি ফুকনে ১৯৮০ চনত কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

৩। ব্ৰাহ্মণৰ ঘৰত ডাঙৰ-দীঘল হোৱা বাবে কোনজন আহোম স্বৰ্গদেউক 'বামুণী কোঁৱৰ' নামেৰে জনা গৈছিল?

৪। পদাৰ্থবিজ্ঞানত ন'বেল বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় আছিল চি ভি ৰামণ। শান্তিৰ ন'বেল বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় কোন বাৰু?

৫। আমাৰ দেশৰ ৰাষ্ট্ৰীয় গীতটোক ১৯৫০ চনৰ ২৪ জানুৱাৰীত চৰকাৰীভাৱে স্বীকৃতি প্ৰদান কৰা হৈছিল। এই গীতটো প্ৰথমতে কোনখন গ্ৰন্থত অন্তৰ্ভুক্ত কৰা হৈছিল?

৬। ফিল নাইট আৰু বিল বোৱাৰমেনে আৰম্ভ কৰা এই বিখ্যাত কোম্পানীটোক প্ৰথমতে জনা গৈছিল ব্লু ৰিবন স্প'ৰ্টছ নামেৰে। কোম্পানীটোৰ জনপ্ৰিয় এডলাইনটো সৃষ্টি কৰিছিল ডান উইডেনে। কোনটো কোম্পানী বাৰু?

৭। ২০০১ চনত কলকাতাৰ ঐতিহাসিক ইডেন গাৰ্ডেনত অষ্ট্ৰেলিয়াৰ ৰিকী পণ্টিং, আডাম গিলখ্ৰিষ্ট আৰু শ্বেন ৱাৰ্ণক আউট কৰি এজন ভাৰতীয়ই এক বিশেষ কৃতিত্ব অৰ্জন কৰিছিল। কৃতিত্বটো কি আৰু খেলুৱৈজন কোন?

৮। হিন্দু শাস্ত্ৰমতে নাৰদৰ বীণাখনৰ নাম যদি মহাতি বীণা হয় তেনেহ'লে সৰস্বতী দেৱীৰ হাতত থকা বীণাখনৰ নাম কি বাৰু?

৯। কলকাতাৰ বাগ বজাৰৰ নবীন চন্দ্ৰ দাস নামৰ ব্যক্তিগৰাকীয়ে কোনবিধ খাদ্যৰ সৃষ্টি কৰা বুলি জনা যায়?

১০। বিশ্বকাপ ফুটবলৰ ফাইনেলৰ ইতিহাসত এই পৰ্য্যন্ত মাত্ৰ দুজন খেলুৱৈয়ে হেটট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰে এজন হৈছে কিলিয়ান এমবাপ্পে। কাটাৰ বিশ্বকাপত তেওঁ আৰ্জেণ্টিনাৰ বিৰুদ্ধে এই সফলতা অৰ্জন কৰিছিল। বিশ্বকাপৰ ফাইনেলত হেটট্ৰিক অৰ্জন কৰা প্ৰথমজন খেলুৱৈ কোন আছিল?

১১। The Seven Moons of Maali Almeida - শ্ৰীলংকাৰ শ্বেহান কৰুনাতিলকে লিখা এই গ্ৰন্থখন যোৱা বৰ্ষত বিশ্বজুৰি চৰ্চা লাভ কৰিছিল। কিয় বাৰু?

১২। ১৯৮৪ চনৰ লোকসভা নিৰ্বাচনত এলাহাবাদ সমষ্টিৰ পৰা হেমবতী নন্দন বহুগুণাক পৰাস্ত কৰি কোনগৰাকী বিখ্যাত প্ৰাৰ্থী বিজয়ী হৈছিল?

১৩। কেথৰিন বিগলো—চলচ্চিত্ৰ বিশ্বৰ সৰ্বোচ্চ সন্মান অস্কাৰৰ ইতিহাসত এইগৰাকী মহিলাৰ বিশেষত্ব কি?

১৪। 'বৃত্ত এটা আঁকিলে যেতিয়া বৃত্তটো সম্পূৰ্ণ হ'বৰ হয়, তেতিয়া ৰেখাডালৰ ভ্ৰমণ কৰি অহা মূৰটো এৰি থৈ অহা মূৰটোৰ ওচৰ চাপি আহে।'— কোনগৰাকী বিশিষ্ট অসমীয়া সাহিত্যিকৰ আত্মজীৱনীখনৰ আৰম্ভ হৈছে এনেদৰে?

**চিত্ৰ সংকেত**

১৫। কাষৰ ছবিখন এগৰাকী বিশেষ ভাৰতীয় মহিলাৰ। তেওঁ এক বিশেষ ক্ষেত্ৰত সফলতা লাভ কৰা বা বিজয়ী হোৱা প্ৰথম মহিলা। তেওঁ লাভ কৰা সফলতা কি আৰু তেওঁৰ নাম কি?❖



■ সংগ্ৰহ : দীপাংকৰ কৌশিক

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

**নবৈৰ দশকৰ অৰ্থনৈতিক উদাৰীকৰণ :** ১৯৯১ চনৰ আগতে বিভিন্ন সেৱা আৰু ব্যৱসায়ত চৰকাৰৰ হস্তক্ষেপ এতিয়াতকৈ অধিক কঠোৰ আছিল। উদাৰীকৰণ ব্যৱস্থাই বহুতো নিয়ন্ত্ৰণ আৰু নিষেধাজ্ঞা প্ৰতিৰোধ কৰাৰ চেষ্টা কৰিলে, যাৰ ফলত ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ গঠন ক্ষিপ্ৰতৰ হোৱাত সহায় হ'ল। ৰাজহুৱা খণ্ডৰ দখলত থকা বহুতো উদ্যোগ প্ৰতিষ্ঠানত ব্যক্তিগত খণ্ডৰ অধীনত থকা উদ্যোগ প্ৰতিষ্ঠানে প্ৰবেশ কৰাৰ অনুমতি লাভ কৰিলে। উদাৰীকৰণৰ বাবেই টেলিকমিউনিকেছন (telecommunication) উদ্যোগে প্ৰসাৰ লাভ কৰিবলৈ সক্ষম হ'ল। উদাৰীকৰণৰ বাবে আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰতো কিছু পৰিৱৰ্তন অহা দেখা গৈছে।

**ৰাষ্ট্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড :** স্বাধীনোত্তৰ ভাৰতত গঠন হোৱা বিভিন্ন সংস্থা, সংগঠন, ব'ৰ্ড আদিৰ ভিতৰত ৰাষ্ট্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড অন্যতম। স্বতন্ত্ৰ সংগঠনটোৱে সত্তৰৰ দশকত প্ৰতিষ্ঠা লাভ কৰে। ১৯৭৪ চনত প্ৰতিষ্ঠা হোৱা ব'ৰ্ডখনৰ মুখ্য কাৰ্য্যালয় নতুন দিল্লীত। বায়ু আৰু পানী প্ৰদূষণ প্ৰতিৰোধ কৰাৰ লগতে বায়ু আৰু পানীৰ গুণাগুণ উন্নত কৰাৰ বাবে ৰাষ্ট্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড গঠন কৰা হৈছিল। আমাৰ দেশৰ বিভিন্ন ঠাইত প্ৰসাৰিত হৈ থকা প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ শাখাসমূহত পৰিবেশ সুৰক্ষা বিষয়া, বিজ্ঞানী, অভিযন্তা আদিয়ে সেৱা আগ বঢ়াই আছে।

**ভাৰতৰ প্ৰথম ত্ৰিমাত্ৰিক ছবি :** বিশ্বত ত্ৰিমাত্ৰিক ছবি বা থ্ৰী ডাইমেনছন ছবিৰ প্ৰচলন হোৱাৰ কিছু বছৰ পাছতেই আমাৰ দেশতো ত্ৰিমাত্ৰিক চিনেমা নিৰ্মাণ হ'ল। সেয়া আছিল ১৯৮৪ চনৰ কথা। 'মাই ডীয়েৰ কুটীচাথান' (My Dear Kuttichathan) নামৰ মালয়ালাম ভাষাৰ ছবিখনেই আছিল আমাৰ দেশৰ প্ৰথমখন ত্ৰিমাত্ৰিক বা থ্ৰী ডাইমেনছন ছবি। পৰৱৰ্তী সময়ত সেই ছবিখনেই হিন্দী ভাষাত 'চোটা চেটন' নামত ডাবিং কৰা হয়।




মালয়ালাম ভাষাৰ ত্ৰিমাত্ৰিক ছবিখনৰ নিৰ্দেশনা জিযো পুনুজৰ আৰু সেই ছবিখন নবোদয়া ষ্টুডিঅ'ৰ বেনাৰত নিৰ্মিত হৈছিল।

**ভাৰতীয় হকী দল আৰু অলিম্পিক :** অলিম্পিক খেলত ভাৰতীয় হকী দলে চমকপ্ৰদ ফলাফল দেখুৱাবলৈ



সক্ষম হৈছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতে পুৰুষৰ বাবে নিৰ্দ্ধাৰিত হকীত ভাৰতে তিনিটাকৈ স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত আমাৰ দেশে অলিম্পিকত পাঁচটা সোণৰ, এটা ৰূপৰ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ২০২১ চনত অনুষ্ঠিত টকিঅ' অলিম্পিকত ভাৰতীয় দলে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৯২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 3 | | 7 | | 1 | | |
| | | | 9 | | | | | |
| | | | 6 | | 2 | | 5 | 4 |
| | | | | 5 | | | | 6 |
| | | 4 | | 8 | | | 3 | |
| 5 | | 9 | | 6 | | | 2 | 7 |
| 6 | 2 | | | | | | | |
| 7 | 4 | | 8 | | | 5 | | |
| | 9 | | | 4 | | | | |

## চুড'কু ১৯১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 2 | 7 | 1 | 5 | 6 | 8 | 4 | 3 |
| 8 | 5 | 1 | 3 | 4 | 2 | 9 | 6 | 7 |
| 3 | 4 | 6 | 7 | 8 | 9 | 1 | 5 | 2 |
| 5 | 3 | 9 | 2 | 6 | 1 | 4 | 7 | 8 |
| 2 | 6 | 8 | 4 | 9 | 7 | 5 | 3 | 1 |
| 1 | 7 | 4 | 5 | 3 | 8 | 6 | 2 | 9 |
| 6 | 9 | 5 | 8 | 2 | 3 | 7 | 1 | 4 |
| 7 | 8 | 2 | 6 | 1 | 4 | 3 | 9 | 5 |
| 4 | 1 | 3 | 9 | 7 | 5 | 2 | 8 | 6 |

### তোমালোকে জানানে?

## 'কাশ্মীৰ'ক কিয় ভূ-স্বৰ্গ বোলা হয়?

হিমালয় পৰ্বতমালাৰ অন্তৰ্গত এক মনোৰম উপত্যকা অঞ্চল হৈছে কাশ্মীৰ উপত্যকা। এই উপত্যকা ১৪০ কিমি. দীঘল আৰু ৩২ কিমি. বহল (উচ্চতা ১,৬২০ মিটাৰ) কাশ্মীৰ উপত্যকা দৰাচলতে এক হ্ৰদ-অৱবাহিকা অঞ্চল। এই উপত্যকাৰ মাজেদি ঝিলাম নৈ বৈ গৈছে। ৩,৬০০ মিটাৰৰ পৰা ৪,৮০০ মিটাৰ উচ্চতাৰ এক পাৰ্বত্য অঞ্চলে কাশ্মীৰ উপত্যকাক আগুৰি আছে। কাশ্মীৰ উপত্যকাতে কাশ্মীৰৰ বেছিসংখ্যক অধিবাসীয়ে বাস কৰে। জম্মু আৰু কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ ইয়াতে অৱস্থিত। এই উপত্যকাত ধান, মাকৈ, ফল, শাক-পাচলি আদিৰ খেতি কৰা হয়। উলাৰ আৰু ডাল হ্ৰদকে ধৰি অন্যান্য হ্ৰদসমূহ আৰু সুন্দৰ প্ৰাকৃতিক দৃশ্যই পৰ্য্যটকসকলক সততে আকৰ্ষণ কৰে। সপ্তদশ শতিকাৰ মোগল সম্ৰাট জাহাংগীৰে কাশ্মীৰ উপত্যকাতে কিছুদিন বাস কৰিছিল। এই উপত্যকাক 'সুখী উপত্যকা' (Happy Valley) নামেৰেও জনা যায়।

কাশ্মীৰ উপত্যকাৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰ বাবেই কাশ্মীৰক ভূ-স্বৰ্গ বুলি কোৱা হয়। সুউচ্চ পৰ্বত, মনোৰম হ্ৰদ, মাজতে নয়নাভিৰাম উপত্যকা অঞ্চল, সুন্দৰ জলবায়ু—কাশ্মীৰত সকলো আছে। পৰ্য্যটকসকলৰ বাবেও কাশ্মীৰ বৰ আকৰ্ষণীয়। মানুহে স্বৰ্গত যি প্ৰাকৃতিক পৰিবেশৰ কল্পনা কৰে, তাৰ প্ৰায় সকলোৰেই যেন কাশ্মীৰতে আছে। সেইবাবে কাশ্মীৰক 'পৃথিৱীৰ স্বৰ্গ' বা 'ভূ-স্বৰ্গ' বুলি কোৱা হয়। ❖

*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।*

# মিছা কথাৰ ঠেং চুটি

■ জাহ্নৱী বৰুৱা



তোমালোকে মিছা কথা কোৱা নেকি বাৰু? নকওঁ বুলি মিছা নামাতিবা কিন্তু। কেতিয়াবা ধেমালিৰ ছলতে বা কেতিয়াবা নিজকে কোনো অনাকাংক্ষিত পৰিস্থিতিৰ পৰা বচাবলৈ আমি মিছা কথা নোকোৱা নহয়। এটা গৱেষণাৰ পৰা জানিব পৰা গৈছে এজন ব্যক্তিয়ে প্ৰতিদিনে শূন্যৰ পৰা দুটালৈ মিছা কথা কয়। অৰ্থাৎ কোনোবা দিনা একেবাৰেই মিছা নকয় আৰু কোনোবাদিনা অন্ততঃ দুটা মিছা কথা কয় বা মিছা মাতিবলগীয়া হয়। কিন্তু এই মিছা কথা কোৱাৰ প্ৰৱণতা যেতিয়া বাঢ়ি যায়, তেতিয়াই অপৰাধমূলক কাম-কাজৰ প্ৰতি মানুহ আকৰ্ষিত হয় আৰু তেনে মিছাৰ ক্ষমা নাই। গতিকে তোমালোক সাৱধান হ'বা আৰু মিছা কথা কোৱাৰ পৰা বিৰত থাকিবা। কাৰণ যি মিছাই কাৰোবাৰ ক্ষতি কৰে সেই মিছা কথা মুঠেও গ্ৰহণযোগ্য নহয়। সাধাৰণতে আমি কোৱা প্ৰায় শতকৰা ৯০ ভাগ মিছা কথা সহজতে ধৰা পৰে বা আমিও আনৰ মিছা কথা সহজতে ধৰা পেলাব পাৰোঁ। কিন্তু অপৰাধীসকলৰ ক্ষেত্ৰত মিছা কথা ধৰা পেলোৱাটো সহজ নহয়। কাৰণ তেওঁলোকৰ মিছা কথাবোৰ সুপৰিকল্পিত হয়। গতিকে ধৰা পেলাবলৈ যথেষ্ট অসুবিধা হয়। সেইবাবেই এই ক্ষেত্ৰত সহায় লোৱা হয় প্ৰযুক্তিৰ। মিছা কথা ধৰা পেলাব পৰা এটা যন্ত্ৰ আছে আৰু এই যন্ত্ৰটোক প'লিগ্ৰাফ (polygraph) বুলি কোৱা হয়। ইয়াৰ কাম হৈছে অপৰাধী বা অভিযুক্ত ব্যক্তিৰ মুখৰ পৰা সত্য বাহিৰ কৰা। এই প'লিগ্ৰাফ যন্ত্ৰটোকে বহুতে 'লাই ডিটেক্টৰ' বুলিও কয়। এতিয়া তোমালোকৰ মনলৈ নিশ্চয় আহিছে কেনেকৈ এটা যন্ত্ৰৰ সহায়ত মিছা কথা ধৰা পেলাব পাৰি? প'লিগ্ৰাফ বা লাই ডিটেক্টৰ যন্ত্ৰৰ সহায়ত মিছা কথা ধৰা পেলোৱা প্ৰক্ৰিয়াটোৰ তিনিটা পদক্ষেপ বা পৰ্য্যায় আছে। প্ৰথম পৰ্য্যায়ত প'লিগ্ৰাফ পৰীক্ষকে অভিযুক্ত ব্যক্তিজনৰ শৰীৰত, যেনে—হাত, কপাল, বুকু আদিত প'লিগ্ৰাফ যন্ত্ৰৰ লগত সংলগ্ন থকা কাৰ্ডিঅ'স্ফিগ্‌ম'গ্ৰাফ, সংবেদনশীল ইলেক্ট্ৰ'ড আদি সংযোগ কৰি ধাৰাবাহিকভাৱে কিছুমান প্ৰাসংগিক প্ৰশ্ন, অপ্ৰাসংগিক প্ৰশ্ন, নিয়ন্ত্ৰণ বিষয়ক প্ৰশ্ন আৰু গোপন তথ্যৰ প্ৰশ্ন সোধে। ব্যক্তিজনক সোধা প্ৰতিটো প্ৰশ্নৰ বিপৰীতে তেওঁ দিয়া প্ৰতিটো সঁহাৰিৰ ওপৰত এটা নিৰ্দিষ্ট সংখ্যাগত মান নিৰ্দ্ধাৰণ কৰা হয়। দ্বিতীয় পৰ্য্যায়ত এই সঁহাৰিবোৰৰ ওপৰতেই এখন তালিকা প্ৰস্তুত কৰা হয়। প'লিগ্ৰাফ পৰীক্ষকে খুব সাৱধানেৰে অভিযুক্ত ব্যক্তিজনৰ প্ৰতিটো সঁহাৰি নিৰীক্ষণ কৰে আৰু কাগজত লিপিবদ্ধ কৰি ৰাখে যাতে তেওঁ সঁচা কৈছে নে মিছা কৈছে, নে প্ৰশ্ন আৰু উত্তৰ উভয়তে অনিশ্চয়তা প্ৰকাশ কৰিছে অথবা অপ্ৰস্তুত হৈছে তাৰ প্ৰতিক্ৰিয়া গম পাব পাৰে। প'লিগ্ৰাফ প্ৰক্ৰিয়াৰ তৃতীয় পৰ্য্যায়ত লিপিবদ্ধ কৰি ৰখা সঁহাৰিবোৰৰ বিশ্লেষণ কৰি প'লিগ্ৰাফ পৰীক্ষকে অভিযুক্তগৰাকী সঁচা নে মিছা কৈছে তাৰ তথ্য সহকাৰে প্ৰমাণ দিয়ে। আজিকালি বেছিভাগ পৰীক্ষকে কম্পিউটাৰাইজড ৰেকৰ্ডিঙৰ ব্যৱহাৰো কৰে।

কোনো ব্যক্তিৰ সত্যতা নিৰূপণ কৰা এই পদ্ধতিটো পাছে আধুনিক যুগৰ নতুন চিন্তাৰ ৰূপ নহয়।

অপৰাধমূলক কাম-কাজৰ বা ক্ৰিয়া-কলাপ নিৰ্মূল কৰিবলৈ বা ধৰা পেলাবলৈ এই ধৰণৰ চিন্তা-চৰ্চা বহু আগৰ পৰাই কৰি অহা হৈছে। দৰাচলতে সঁচা-মিছা ধৰা পেলোৱাৰ ক্ষেত্ৰত প'লিগ্ৰাফ নামৰ এই যি ঐতিহাসিক গুৰুত্বপূৰ্ণ যন্ত্ৰৰ উদ্ভাৱন কৰা হ'ল তাত গেলিলিঅ', বোনাচিঅ', লেনকিজি, ষ্টিফেন হেল্‌ছ আদিৰ দৰে মহান বিজ্ঞানীসকলৰ বিভিন্ন আৱিষ্কাৰৰ অৱদান আছে। কেৱল সেয়ে নহয়, সেই সময়ৰ বিভিন্ন মনোবিজ্ঞানী, সাহিত্যিকসকলে আগ বঢ়োৱা ধাৰণাৰো ইয়াত অৰিহণা আছে। এই ক্ষেত্ৰত বৃটিছ ঔপন্যাসিক ডেনিয়েল ডিফ'ৰ নাম উল্লেখ কৰিব পাৰি। ১৭৩০ চনত তেওঁ লিখা প্ৰবন্ধ 'এন ইফেক্টছুৱেল স্কিম ফ'ৰ দ্যা ইমিডিয়েট প্ৰিভেণ্টিং অব ষ্ট্ৰীট ৰ'বাৰিজ এণ্ড ছাপ্ৰেচিং অল আদাৰ ডিছঅৰ্ডাৰছ অব দ্যা নাইট'ত প্ৰথমবাৰৰ বাবে যন্ত্ৰৰ সহায়ত সঁচা-মিছাৰ পৰীক্ষাৰ কথা উল্লেখ কৰা হৈছিল। এই ধৰণৰ চিন্তা-ধাৰণাৰ ফলস্বৰূপে ১৮৭৮ চনত ইটালীৰ মছো নামৰ এজন নৃতত্ত্ববিদ তথা মনোবিজ্ঞানীয়ে প্লিথাইছম'গ্ৰাফ (Plethysmograph) নামৰ এটি যন্ত্ৰ সাজিছিল আৰু এইটোৰেই আছিল পৰীক্ষাগাৰৰ পৰিস্থিতিৰ বাহিৰত প্ৰশ্নোত্তৰৰ সহায়ত অপৰাধীৰ আবেগ আৰু ভয়ৰ সৈতে পৰীক্ষা-নিৰীক্ষা কৰা প্ৰথম ঘটনা। ইতিমধ্যে ১৯ শতিকাৰ আৰম্ভণিতে ফৰেনচিক মেডিচিন চিকিৎসাবিজ্ঞানৰ এক স্বীকৃতিপ্ৰাপ্ত শাখাত পৰিণত হয়। ফৰেনচিক মেডিচিন হৈছে আইনী ক্ষেত্ৰত চিকিৎসা জ্ঞানৰ প্ৰয়োগ। গতিকে এই ক্ষেত্ৰত সময়ে সময়ে বিভিন্নজনে নিজ নিজ সংস্কৰণ আগ বঢ়ায় আৰু সঁচা-মিছা পৰীক্ষা কৰিব পৰা যন্ত্ৰৰ কাৰ্য্যক্ষমতাৰ নতুন নতুন দিশ উন্মোচন কৰে। কিন্তু ১৯০২ চনত লণ্ডনৰ বিখ্যাত হৃদৰোগ বিশেষজ্ঞ ছাৰ জেমছ মেকেঞ্জিয়ে 'ইংক প'লিগ্ৰাফ' নামৰ যিটো যন্ত্ৰৰ উদ্ভাৱন কৰে তাক আধুনিক প'লিগ্ৰাফৰ আৰম্ভণি বুলি কোৱা হয়। ১৯২১ চনত কেলিফ'ৰ্নিয়াৰ পুলিচ বিভাগত কৰ্মৰত জনএ লাৰ্চনেই আছিল প্ৰথম ব্যক্তি যিয়ে অভিযুক্তক জেৰাৰ সময়ত ব্যক্তিৰ নাড়ীৰ হাৰ, ৰক্তচাপ, শ্বাস-প্ৰশ্বাসৰ হাৰৰ পৰিবৰ্তন নিৰন্তৰভাৱে আৰু একেলগে জুখিব পাৰিছিল তথা সফলতা লাভ কৰিছিল। এই লাৰ্চনৰেই সহকৰ্মী লিঅ'নাৰ্ড কিলাৰে ১৯২৬ চনত প'লিগ্ৰাফৰ এক নতুন আৰু উন্নত সংস্কৰণ উদ্ভাৱন কৰে। ১৯৩৯ চনতো ইয়াৰ অন্য এক সংশোধিত সংস্কৰণ উলিয়ায় আৰু তাৰ পেটেণ্ট কৰে। অৰ্থাৎ শেহতীয়া সংস্কৰণটোৰ কৃতিস্বত্ব নিজৰ নামত আইনী প্ৰক্ৰিয়াৰে কৰি লয় আৰু সেইবাবেই তেওঁ প'লিগ্ৰাফৰ পিতৃ হিচাপে পৰিচিত। ১৯৪৮ চনত তেওঁ চিকাগোত বিশ্বৰ প্ৰথমখন প'লিগ্ৰাফ স্কুল, 'কিলাৰ প'লিগ্ৰাফ ইন্সটিটিউট' প্ৰতিষ্ঠা কৰে।

এইদৰে সময়ে সময়ে প'লিগ্ৰাফত নতুন নতুন ধাৰণা সংযোজিত আৰু সংশোধিত হৈ ইয়াৰ আধুনিকীকৰণ হৈ আহিছে। অপৰাধ তদন্ত বিভাগ, ৰাষ্ট্ৰীয় নিৰাপত্তা সংস্থা, ব্যৱসায় আৰু উদ্যোগ, কেতিয়াবা চৰকাৰী সংগঠন আদিতো ব্যক্তিৰ কথাৰ সত্যতা ধৰা পেলাবলৈ প'লিগ্ৰাফৰ ব্যৱহাৰ আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, কানাডা, ইজৰাইল, ভাৰত আদি দেশত কৰা হয়। অৱশ্যে প'লিগ্ৰাফ পৰীক্ষাৰ সঠিকতা আৰু পৰীক্ষাৰ লগত জড়িত নৈতিক বিষয়সমূহৰ ওপৰত অত্যন্ত বিতৰ্কৰ অৱকাশ থকা বাবে আন বহুতো দেশে ইয়াৰ বিশ্বাসযোগ্যতাত প্ৰশ্ন কৰি আহিছে। কাৰণ বিশেষজ্ঞ কিছুমানৰ মতে প'লিগ্ৰাফ পৰীক্ষাৰ ফলাফল শতকৰা ৯৮ ভাগহে শুদ্ধ বুলি কোৱা হয়। গতিকে অতি চালাক অপৰাধী এজনে যদি নিজৰ আবেগ-অনুভূতিক নিয়ন্ত্ৰণত ৰাখিব পাৰে, তেন্তে তেওঁৰ প'লিগ্ৰাফ বা লাই ডিটেক্টৰৰ পৰা হাত সৰাৰ পৰা সম্ভাৱনা নথকা নহয়। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (মাৰ্চ)

১। Food Safety and Standards Authority of India ২। ফেব্ৰুৱাৰী মাহত ৩। ৰাজস্থানত ৪। জাপানে। ৫। আয়নীয় বিকিৰণৰ উপস্থিতি ধৰা পেলোৱা এবিধ যন্ত্ৰ।

# শিক্ষাৰ্থীয়ে আঁকা ছবি



ছায়াক্ষী পৰাশৰ, চতুৰ্থ ক



গুঞ্জনগীত পৰাশৰ, অষ্টম খ



নিশিতা তালুকদাৰ, পঞ্চম খ



চতুৰ্থী শিৱম, পঞ্চম খ



অভিলেখ পাঠক, পঞ্চম খ



দীক্ষিতা কাশ্যপ, দশম শ্ৰেণী



Chernobyl




Malaysia Flight 370



ঢেঁকীয়া



মেচেকা টেঙা